# ALL NATIONS GOSPEL PUBLISHERS



Copyright ANGP

www.angp-hb.co.za

info@angp.co.za

*ASSAMESE Heart Book*

# মানুহৰ হৃদয়

Copyright ANGP

**COPYRIGHT**
ISBN 0 - 908367 - 93 - 7

E-MAIL: info@angp.co.za
**ALL NATIONS GOSPEL PUBLISHERS**
P.O. Box 2191, PRETORIA, 0001, R.S.A.
(A Gospel Literature Mission financed by donations)
(Reg. No. 1961/001798/08)

# মানুহৰ হৃদয়
# বা
# আত্ম-দৃষ্টি দাপোন

( দহটা ছবিৰ দ্বাৰা এখন ৰূপাত্মক আবেদন )

এই সৰু কিতাপখন তাৰ ব্যাখ্যাবোৰৰ সৈতে প্ৰথমেই প্ৰকাশিত হৈছিল ফ্ৰান্সত ১৭৩২ চনত। এইখন "আত্মিক হৃদয়ৰ দাপোন" বা হৃদয়ৰ কিতাপ নামেৰে জনাজাত । এইখনৰ অগাধ শাস্ত্ৰ সম্মত সত্যতা আৰু মূল্যৰ কাৰণে প্ৰায় ইউৰোপীয় আৰু আফ্ৰিকাৰ ভাষা সমুহত প্ৰচলন হৈছিল । এতিয়াও হৈ আছে ইয়াক সকলো শ্ৰেণী আৰু ধৰ্ম্মৰ মানুহে পঢ়িছে ।

পুৰণি নিয়মত থকা ঈশ্বৰৰ প্ৰতিজ্ঞাৰ সত্য সত্যতা আৰু সেই বোৰৰ নতুন নিয়মত সিদ্ধ হোৱা কথা বহুতে অনুভব কৰিছে " মই তোমালোকক এক নতুন হৃদয় দিম আৰু তোমালোকৰ অন্তৰত এক নতুন আত্মা স্থাপন কৰিম " ( যিহিস্কেল ৩৬ ঃ ২৩ ঃ ইব্ৰী ৮ ঃ ১৩ ( জে, আৰ জিস্কৰেণ্ড )

যি জনে পাপ আচৰণ কৰে তেওঁ বিধান লঙ্ঘন কৰে, আৰু পাপেই বিধান লঙ্ঘন । তোমালোকে জানা যে পাপ দুৰ কৰিবলৈ তেওঁ প্ৰকাশিত হ'ল, আৰু তেওঁৰ কোনো পাপ নাই। যি জন ভগৱানত থাকে, তেওঁ পাপ নকৰে, যি জনে পাপ কৰে তেওঁ ভগবানক দেখা নাই আৰু জনাও নাই।

হে বোপাহঁত তোমালোকক ভুলাবলৈ কাকো নিদিবা। যি জনে ধৰ্ম্ম আচৰণ কৰে, ভগবান যেনে ধাৰ্ম্মিক, তেৰোঁ তেনে ধাৰ্ম্মিক হয়।

যি জনে পাপ আচৰণ কৰে তেওঁ চয়তান, কিয়নো চয়তানে আদিৰে পৰা পাপ কৰি আছে । চয়তানৰ কৰ্ম্ম লুপ্ত কৰিবৰ কাৰণেই ঈশ্বৰৰ



Copyright ANCP

পুনৰ আবিৰ্ভাৱ। যি জনে ঈশ্বৰৰ পৰা জন্ম লাভ কৰে তেওঁ পাপ আচৰণ নকৰে কাৰণ ঈশ্বৰৰ বীজ তেওঁৰ অন্তৰত থাকে আৰু তেওঁ পাপ কৰিব নোৱাৰে। কাৰণ ঈশ্বৰৰ পৰা তেওঁৰ জন্ম। ইয়াতে ঈশ্বৰৰ সন্তান বিলাক আবিৰ্ভাৱ হয়।

যি জনে ধৰ্ম্ম আচৰণ নকৰে, তেওঁ ঈশ্বৰৰ সন্তান নহয়, আৰু যি জনে নিজ ভায়েকক ভাল নাপায় তেৱোঁ, নহয় ( ১ যোহন ৩ : ৪ ১৪)

# মানুহৰ হৃদয়

## ঈশ্বৰৰ মন্দিৰ বা চয়তানৰ কাৰখানা

( ১ যোহন ৩ ঃ ৪ : ১৩ )

তুমি এইখন কিতাপ পঢ়োতে মনত ৰাখিবা, যে এইখন এখন দাপোনৰ দৰে, যত তুমি নিজকে দেখিব পাৰিবা। তুমি খৃষ্টীয় বা অ খৃষ্টীয়, অবিশ্বাসী বা বিশ্বাসী নহলেও তুমি নিজকে ঈশ্বৰে দেখাৰ দৰে দেখিবা, মানুহে বাহিৰা আকাৰ প্ৰকাৰ দেখে কিন্তু যি হোৱাই অন্তৰলৈ দৃষ্টি কৰে (১ চমুৱেল২৬০৭) ঈশ্বৰে কাৰো পক্ষপাতিতা নকৰে। সকলো অসত্যবাদীৰ পিতৃ চয়তান। তেওঁ আন্ধাৰৰ ৰজা আৰু এই পৃথিবীৰ দেৱতা। যি জনে নিজে কেতিয়াবা দেব দূতৰ বেশ ধৰে যাতে মানুহ বিলাকক প্ৰৱঞ্চনা কৰিব পাৰে। পুৰণি কালৰ দৰে আজি কালিও অনেক ভাঁবি কোৱা পাচনি আৰু প্ৰবঞ্চক কাৰ্য্যকাৰী খ্ৰীষ্টৰ পাচনিৰ বেশ ধৰে। এইটো কোনো আচৰিত কথা নহয় কিয়নো চয়তানে নিজেও দীপ্তময় দূতৰ বেশ ধৰে। (২ কৰিন্থীয়া ১১ ঃ ১৩, ১৪) এই পৃথিবীৰ দেৱতা চয়তানে মানুহৰ চকু আৰু মনৰ দৃষ্টি অন্ধ কৰে, যাতে ঈশ্বৰে তেওঁলোকক প্ৰেম কৰা বা যীশুৱে সিহঁতৰ পৰিত্ৰাণৰ বাবে প্ৰাণ ত্যাগ কৰা দেখিব নোৱাৰে যেন। সকলো পাপী আৰু অবিশ্বাসীয়ে মৃত আৰু ঈশ্বৰৰ প্ৰতি অন্ধ। তেওঁলোক এই পৃথিবীৰ দেৱতাৰ শক্তিৰ দ্বাৰুণ শাসিত হৈছে। যদি তেওঁলোকৰ চকু কোনোমতে মুকলি নহয় তেন্তে তেওঁলোকে অনন্ত ধ্বংশলৈ যায়। যি জনে কয় "মোৰ পাপ নাই" তেওঁ নিজকে প্ৰবঞ্চনা কৰে, চয়তানৰ কৰ্ম্ম লুপ্ত কৰিবৰ কাৰণেই ঈশ্বৰৰ পুত্ৰ প্ৰকাশিত হল; ( ১ যোহন ৩ ঃ ৮) এতেকে তোমালোক ঈশ্বৰৰ বশীভূত হোৱা। কিন্তু

Copyright ANCP

চয়তানক প্ৰতিৰোধ কৰা, তেতিয়া সি তোমালোকৰ পৰা আতৰত থাকিব। ঈশ্বৰৰ ওচৰলৈ চাপি আঁহা তেতিয়া তেৱোঁ তোমালোকৰ কাষ চাপিব (যাকোব ৪ ঃ ৭, ৮ )

এইখন কিতাপ পঢ়োতে আৰু ছবিবোৰ অধ্যায়ণ কৰোতে তুমি নিজৰ অন্তৰখন দেখিবলৈ পাবা। ভগবানৰ পৰীক্ষা চাকিত তোমাৰ হৃদয়ৰ অৱস্থা দেখুৱাবলৈ দিয়া। তোমালোকৰ পাপবোৰ স্বীকাৰ কৰা আৰু তোমালোকৰ অস্তিত্ব নুই কৰিবা কাৰণ ঈশ্বৰৰ বাক্যই আমাক কয় যে আমাৰ পাপ নাই বুলি যদি কওঁ তেন্তে আমি নিজেই নিজকে ফাকি দিওঁ আৰু আমাৰ অন্তৰৰ সত্যতা নাই। কিন্তু আমি নিজৰ পাপ স্বীকাৰ কৰিলে, বিশ্বাসী আৰু ধাৰ্মিক যি তেওঁ, তেওঁ আমাৰ পাপবোৰ ক্ষমা কৰে, ( ১ যোহন ১ঃ ৮-৯ ) ঈশ্বৰৰ পুত্ৰ যীশুখৃষ্টৰ ৰক্তই আমাৰ পাপবোৰ ক্ষমা কৰে। তোমালোকৰ ওপৰত নাই চয়তানে নাই ঈশ্বৰে ৰাজত্ব কৰে, তুমি পাপৰ দাস ঈশ্বৰৰ ভৃত্য। যদি পাপে তোমাৰ জীৱন পৰিচালনা কৰে তেন্তে তাক নুই নকৰিবা, কিন্তু ঈশ্বৰ ওচৰত প্ৰাৰ্থনা কৰা। তেওঁ যীশুখৃষ্টৰ দ্বাৰা তোমাক মুকলি কৰিব, যি জনে পাপী মানুহক পৰিত্ৰাণ কৰিবলৈ আৰু চয়তানৰ শক্তি আৰু আমাৰ ওপৰত থকা পাপ ধ্বংশ কৰিবলৈ আহিছিল, তেওঁ আমাৰ ত্ৰান কৰ্ত্তা। তুমি পবিত্ৰ ঈশ্বৰৰ সণ্মুখত আছা, যি জনে আনৰ জীৱনৰ গুপ্ত কথা, চিন্তা, আৰু কাৰ্য্যবোৰ দেখে, ঈশ্বৰৰ ওচৰত তুমি নিজকে আৰু কাৰ্য্যবোৰক কেতিয়াও লুকুৱাই ৰাখিব নোৱাৰা, কাৰণ যি কাণ সৃষ্টি কৰিছে তেওঁৰ শুনাৰ শক্তি জানো নাথাকে ? চকু গঢ়ি তোলোতাৰ দৃষ্টি জানো নাথাকে ?


কিয়নো যিহোৱাৰৈ যিবিলাকৰ মন সিদ্ধ সি বিলাকৰ পক্ষে নিজকে বলবান বুলি দেখুৱাবৰ নিমিত্তে তেওঁৰ চকু পৃথিবীৰ চাৰিও ফালে ভ্ৰমণ কৰে ( সবংশাৱলী, ( ১৬ ঃ ৯) কিয়নো তেওঁ মানুহৰ পথত চকু দিয়ে আৰু তাৰ সকলো গতি দেখে। য'ত দুৰাচাৰীবোৰ লুকাই থাকিব পাৰে এনেকুৱা অন্ধকাৰ কি মত্যুছায়া নাই (ইযোব ৩৪ ঃ ২১, ২২ ) কিন্তু যীচুৱে তেওঁবিলাকৰ নিজৰ বিশ্বাস স্থাপন নকৰিলে কাৰণ তেওঁ সকলোকে জানিছিল ( যোহন ২ঃ ২৪) এতেকে যাৰ অপৰাধ ক্ষমা কৰা হয়, যাৰ পাপ ঢকা হয়, সেইজন ধন্য। যি মানুহৰ দোষ যিহোৱাই নিলিখে আৰু যাৰ মনৰ প্ৰবঞ্চনা নাই সেই জন ধন্য

(গীতমালা ৩২ঃ১২) যীশুৱে আজিও মাতিছে“হে পৰিশ্ৰান্ত ভাৰাক্ৰান্ত লোক সকল মোৰ ওচৰলৈ আঁহা, মই তোমালোকক জিৰণি দিম ( যথি ১১ঃ ২৮)

# ছবিবোৰৰ ব্যাখ্যা

## প্ৰথম ছবি

এই ছবিয়ে বাইবেলৰ বৰ্ণনা কৰা পাপীৰ দৰে পাৰ্থিৱ আৰু পুনৰ জীবিত নোহোৱা মানুহৰ হৃদয়ৰ অৱস্থা প্ৰকাশ কৰে। অৰ্থাৎ যি জন পাৰ্থিৱ আৰু শাৰীৰিক কামনা আৰু আসক্তিৰ দ্বাৰা দমন কৰা হৈছে। এইটো হৈছে




হৃদয়ৰ প্ৰকৃত ছবি যেনেকৈ ঈশ্বৰে দেখে, এই কুকুৰীকণা ৰঙা চকুৰে হিতো-

পদেশত ২৩ঃ২৯ঃ৩৩ বৰ্ণণা কৰা মতলীয়া অৱস্থাৰ বিষয়ে কয়। কোনে হায় হায় কৰে ? কোনে দুখ কৰে ? কোনে দ্বন্দ কাজিয়া কৰে ? কোনে বিলাপ কৰে কোনে অকাৰণে মাৰ খায়। কাৰ চকু ৰঙা হয় ? যি বোৰ দ্ৰাক্ষৰসৰ ওপৰত বহুকাল বহি থাকে আৰু যি বোৰ সুগন্ধি বস্তু মিহলোৱা দ্ৰাক্ষৰসৰ তাস্বাদ বিচাৰি আহে, সিহঁতে যেতিয়া দ্ৰাক্ষৰস ৰঙা হয় আৰু পানত দগমগায় আৰু সহজে পেটলৈ যায়, তেতিয়া তালৈ দৃষ্টি নকৰিবা। শেষত সিয়ে সাপৰ নিচিনাকৈ কামুৰিব; আৰু বিষধৰৰ দৰে দংশন কৰিব। তোমাৰ চকুৱে আচৰিত বস্তু দেখিবা। আৰু তোমাৰ মনে অসৎ কথা কব।

মুৰৰ তলত এই ছবিত বহুধৰণৰ জীৱ জন্তুৱে মানুহৰ হৃদয়ত বাস কৰা দেখা যায়, যি সকলে মনুষ্য হৃদয়ত থকা বহুবিধ পাপৰ বিষয়ে কয়, কিয়নো হৃদয় হৈছে আমাৰ পাপৰ বাসস্থান আৰু আসন। ঈশ্বৰে তেওঁৰ সিদ্ধপুৰুষ মেৰিমিয়াৰ দ্বাৰা কয় মন সকলোতকৈ কপটময়. আৰু তাৰ ৰোগ সুস্থ কৰিব নোৱাৰি কোনে তাক বুজিব পাৰে ? (যিৰিমিয়া ১৭ঃ ৯) যীশুৱে নিজেই এই কথা সাব্যস্ত কৰে। কিয়নো ভিতৰৰ পৰা, অৰ্থাৎ মানুহৰ হৃদয়ৰ পৰা কুচিন্তা ব্যাভিচাৰ; চুৰ, নৰবধ, পৰস্ত্ৰীগমন, লোভ, দুষ্টতা, ছলনা কামাভিলাষ কুদৃষ্টি, নিন্দা অহঙ্কাৰ মুৰ্খতা, এইবোৰ ওলায়, এই সকলো অসৎ অন্তৰৰ পৰা ওলায়। আৰু এই বোৰেই মানুহক অশুচি কৰে ( মাৰ্ক ৭ ঃ ২১ ঃ ২৩)

**ম'ৰা চৰাই ঃ—** ম'ৰাচৰাইৰ সুন্দৰতা সকলোৱে প্ৰসংসা কৰিলেও মানুহৰ হৃদয়ত সেইটো অহংঙ্কাৰৰ পাপৰ কথা বুজায়। লুচিফেৰ অভিষিক্ত দেৱতা এসময়ত ঈশ্বৰৰ চাকি ধৰোতা। ঈশ্বৰৰ দূতে অহঙ্কাৰৰ বশবৰ্ত্তী হৈ ঈশ্বৰৰ শত্ৰু অৰ্থাৎ চয়তান হল (ইচয়া ১৪ঃ৯।১৭ যিহিস্কেল ২৮ ঃ ১২ । ১৭ )
অহঙ্কাৰ নৰক কুণ্ডৰ পৰা আহে আৰু বহুধৰণেৰে প্ৰকাশিত হয়। কিছুমানে তেওঁলোকৰ ঐশ্বৰ্য্য, শিক্ষাৰ শ্ৰেণী বিভাগ, পিন্ধা উৰাত পৰিপাটিতা যি টোৱে তেওঁলোকৰ শৰীৰ নিলাজকৈ উদং কৰে, টিংটিঙুৰা গহনা কঞ্চন, আঙুঠি ইত্যাদিত অহঙ্কাৰ কৰে যেনেকৈ ইচয়া ভাববাদী পুস্তকত (৩ ঃ ১৭,২৪) উপযুক্ত ৰূপে বৰ্ণণা কৰা হৈছে। কিছুমানে তেওঁলোকৰ পূৰ্ব্বপুৰুষ, জাতীয়তা সংস্কৃতি খেল ধেমালি ইত্যাদিৰ ওপৰত গৰ্ব্ব কৰে। আৰু পাহৰি যায় যে "ঈশ্বৰে অহঙ্কাৰীবিলাকক প্ৰতিৰোধ কৰে। কিন্তু নম্ৰবিলাকক অনুগ্ৰহ দান

কৰে” (১ পিতৰ ৫:৫) “ঈশ্বৰে অহঙ্কাৰ আৰু দম্ভালি ঘিণ কৰে” হিতোপদেশ (৮:১৩) বিনাশৰ আগেয়ে অহঙ্কাৰ আৰু পতনৰ পূৰ্ব্বে মনৰ গৰ্ব হয়” ( হিতোপদেশ ১৬ : ১৮ )

**ছাগলী :—** ছাগলী কামভাব, প্ৰনীতি, ব্যভিচাৰ আৰু পৰস্ত্ৰীগমণৰ অনুৰূপ। আধুনিক যুগত অথচ শেষ দিন বোৰত উল্লেখিত পাপবোৰ এই পৰিমানে বৃদ্ধি পাইছে যে ২০০০ বছৰৰ আগতে যীশুৱে কৈছিল যে “শেষ দিন বোৰ চদম আৰু গমৰা দিনবোৰৰ দৰে” এই কথাৰ সত্যতা আমি স্বীকাৰ কৰিব লাগে, এই কৃত্ৰিম আধুনিক যুগৰ উৎসাহে সকলো মানুহক খামোচ মাৰি ধৰিছে আৰু ধাৰ্মিক মানুহ বিলাকৰ ঘৰ, অনুস্থান, স্কুল আৰু ছাত্ৰ ছাত্ৰী নিবাসতো প্ৰবেশ কৰিছে, এয়ে নহয় বৰং মানুহৰ হৃদয়ত ভ্ৰষ্টকাৰী বীজ নিলাজকৈ আৰু পিশাচীয় ধুৰ্ত্ত ধৰণেৰে চিনেমা, থিয়েটাৰ দুৰ্গন্ধময় সাহিত্য আৰু অনেক বিধে সিচি দিছে যে যিটো ঈশ্বৰে পাপ বুলি কয় তাকে “ আধুনিক গীতি” হিচাবে গণ্য কৰা হয়। কোটি কোটি যুৱক যুৱতীয়ে তেওঁলোকৰ আদৰ্শ জীৱনক চিনেমা আৰু উপন্যাসৰ আৰ্হিৰে গঢ়ি তুলে আৰু আপদ, লাজ আৰু খেদত পৰে, অনীতি আৰু লম্পট চৰিত্ৰৰ নায়ক নায়িকা বোৰ যুৱক-যুৱতীসকলৰ ‘হিৰো’ আৰু ‘হিৰোইন’ হয়। সঘনেই গীত নৃত্যৰ মন্দিৰবোৰ অনীতি আৰু ব্যভিচাৰৰ কেন্দ্ৰস্থল হৈ পৰে। ঈশ্বৰৰ সতীত্বৰ বীৰলোক, যেনে জোচেফ (আদিপুস্তক ৩৯] আৰু অন্যলোকক জীৱনৰ আদশ হিচাপে লোৱা নহয়। অধাৰ্মিক জুলোই ও ব্যভিচাৰক হত্যা কৰি আমাৰ সভ্য বুলি কোৱা সন্তান সন্ততীক কিছুকথা শিকাব পাৰিব আৰু বিচাৰৰ দিনা আমাৰ দণ্ডবিধান কৰিব লৈ আমাৰ বিৰুদ্ধে থিয় হব। ঈশ্বৰে আমাৰ ব্যভিচাৰৰ সৈতে নেখেলিবলৈ আৰু তাৰপৰা পলাবলৈ কয় “মানুহে যি যি পাপ কৰে সেই বোৰ তাৰ শৰীৰৰ বাহিৰ কিন্তু যি জনে ব্যভিচাৰ কৰে সি নিজৰ শৰীৰৰ বিৰুদ্ধে পাপ কৰে, নতুবা ঈশ্বৰৰ পৰা পোৱা যি পৱিত্ৰ আত্মা তোমালোকৰ অন্তৰত থাকে, তোমালোকৰ শৰীৰ যে তেওঁৰ মন্দিৰ, ইয়াক তোমালোকে নাজানা নেকি ? (১ কৰিন্থীয়া ৬: ১৮ ১৯ ) কোনোৱে যদি ঈশ্বৰৰ মন্দিৰ নষ্ট কৰে, তেন্তে ভগবানে তেওঁকো নষ্ট কৰিব

Copyright ANGP

কিয়নো ঈশ্বৰৰ মন্দিৰ পৱিত্ৰ, তোমালোকো তেনে পৱিত্ৰ" ( ১ কৰি ন্থীয়া ৩ : ১৭ ]

**৩. গাহৰী :—** গাহৰী, মাতলামি, খকুৱা, আৰু পাপৰ প্ৰতীক। ই এটা লেতেৰা জন্তু। সি তাৰ পথত পোৱা ভাল বা বেয়া সকলো বস্তু খায় আৰু তেনেকৈয়ে এজন পাপীৰ হৃদয়ে সকলো বেয়া প্ৰস্তাৱ মাত, ছবি, সাহিত্য ইত্যাদি খাই পেলায়। আমাৰ শৰীৰ জীৱন্ত ঈশ্বৰৰ মন্দিৰ, এই মন্দিৰ বেয়া খাদ্য আৰু বেয়া অভ্যাস যেনে ধূমপান বা ধপাত খোৱা। কানি হানিকৰ মাদক আৰু 'পিল' ইত্যাদিৰ ব্যৱহাৰৰ দ্বাৰা অপৱিত্ৰ হয়। ধুমপানৰ অভ্যাস আৰু কানিয়ে মানুহ বিলাকক আগতকৈ বেচি খামোচি আকৃষ্ট কৰিছে, ঈশ্বৰৰ শক্তিয়েহে মাথোন তেনেকুৱা কানিত আকৃষ্ট হোৱা বিলাকক আৰু চয়তানৰ দাস বিলাকক ৰক্ষা কৰিব পাৰে। অতি ধাৰ্মিক মানুহ বিলাকে গিৰ্জাঘৰত ধুমপান কৰিবলৈ সাহ নকৰে, কাৰণ সেইটো অপবিত্ৰতাৰ কাৰণ হিচাপে গন্য কৰে, কিন্তু প্ৰকৃততে ঈশ্বৰৰ মন্দিৰ অথাৎ নিজৰ শৰীৰ দুৰ্গন্ধময় চিগে-ৰেটে চুৰট আদিৰ দ্বাৰা অপৱিত্ৰ কৰিবলৈ কোনেও শঙ্কাবোধ নকৰে " তোমালোক যে ঈশ্বৰৰ মন্দিৰ আৰু তোমালোকৰ মাজতেই ঈশ্বৰৰ আত্মা যে বিৰাজমান এই কথা তোমালোকে নাজানানে ?" কোনোৱে যদি ঈশ্বৰৰ মন্দিৰ নষ্ট কৰে তেন্তে ভগবানে তেওঁকো নষ্ট কৰিব। ( ১ কৰিন্থীয়া ৩ঃ ১৬, ১৭, ১৮, ১৯ ) ঈশ্বৰৰ দৃষ্টিত খকুৱা মানুহ ঘৃনাৰ পাত্ৰ। আমি জীয়াই থাকিবলৈ খাওঁ আমি খাবলৈ জীয়াই নাথাকো স্বাস্থ্যজনিত খাদ্য খাই ভোক তুষ্ট কৰিব পাৰো, কিন্তু কাম ভাৱে সদায় চিঞৰি থাকিব, "দিয়া, দিয়া" কাম ভাৱ কেতিয়াও তুষ্ট নহয়, কেতিয়াও নহয়। পুৰনি শাস্ত্ৰৰ নিয়ম মতে খকুৱা আৰু মদপীক শিল দলিয়াই বধ কৰিব লাগিছিল। ( দ্বিতীয় বিবৰণ ২১ঃ১৮-২১ ) মতলীয়া আৰু খকুঁৱা লোক দৰিদ্ৰ হয় আৰু নিদ্ৰালুতাই মানুহক ফটাকানি পিন্ধায়। যি জন অপব্যয়কাৰী বোৰৰ সঙ্গী, সি নিজ পিতৃক অপমান কৰে। (হিতো-পদেশ ২৩,২১,২৮,৭ ) মনত ৰাখিবা যে কোনোবা এজন ধনী, খকুঁৱা আৰু কামভাৱত দাস মৰিলে তেওঁ নৰকত অকথনীয়া যাতনাত তেওঁৰ চকু মেল খায়। মদৰ বদগুন কবই নালাগে। সি সৰ্বজন বিদিত।



Copyright ANGP

ঈশ্বৰে তেওঁৰ বানীত স্পষ্টকৈ কয় যে কোনো মদপী ঈশবৰ ৰাজ্যৰ উত্তৰাধিকাৰী হব নোৱাৰে, 'বিয়েৰ' মদ খাদ্য নহয়। কিন্তু এটা মাৰা অক মদ। যি টোৱে মনক দুৰ্ব্বল আৰু পৰিবৰ্ত্তন কৰে। যি সকলে খায়, তেওঁলোকে মুৰ্খামী কৰে। তেওঁলোক অধৰ্ম্মি হয় আৰু ইজনে সিজনক হত্যাও কৰিব যিটো তেওলোকে এনেয়ে নকৰিলে হেঁতেন। 'কিয়নো দ্ৰাক্ষৰস, সুৰাপান বা দন্দ কাজিয়াত যি জন মত্ত হয় তেওঁ জ্ঞানী হব নোৱাৰে। তেওঁ জ্ঞানবান নহয়। ( হিতোপদেশ ১০, ১ যি সকলে চোকা মদ তৈয়াৰ কৰি বেচে তেওঁ লোকেও ঈশ্বৰৰ আগত সমানে দোষী হয়। কিয়নো ঈশ্বৰে কয় " যি বোৰ দ্ৰাক্ষৰস পান কৰাত বীৰ আৰু সুৰা মিহলি কৰাত পৰাক্ৰমী, সিহঁতৰ সন্তাপ হব ( যিচয়া ৫ঃ ২২ ) যিজনে নিজৰ চুবুৰীয়াৰ বিবস্ত্ৰতা দেখিবৰ নিমিত্তে তাক পান কৰোৱায় পান পাত্ৰত বিহ দি তাক মতলীয়া কৰে, সেইজনেই সন্তাপ পাব "( হবক্কুক ২ঃ ১৫ ) " সিহঁতৰ ভোজৰ আয়োজন বীনা, নেবল, খঞ্জৰী বাঁহী আৰু দ্ৰাক্ষৰস, কিন্তু সিহতে যি হোৱাৰ কাৰ্য্যলৈ মন নকৰে ( যিচয়া ৫ঃ ১২ ) তোমালোকে ভ্ৰান্ত নহবা। ব্যভিচাৰী, দেৱপূজক, পৰ-স্ত্ৰীগামী, সুখাভিলাষী পুংমৈথুনী, চোৰ, লুভীয়া, মতলীয়া নিন্দুক বা অপ-হাৰক এই বিলাকে ঈশ্বৰৰ ৰাজ্যত অধিকাৰ নাপাব। ' (কৰিন্থীয়া ৬ঃ ৯, ১০ )

আমাব পাৰ্থিৱ স্বভাৱৰ পাপবোৰ এইবোৰ ঈৰ্ষাৰ অনুভুতি, ব্যভিচাৰ অশুচি কাৰ্য্য, লম্পট আচৰণ, ভুতপূজা, মায়াকৰ্ম্ম, নানাবিধ শত্ৰুতা, বিবাদ ঈষা খংৰাগ, বিৰোধ, নানামত, অসূয়া, সত্যতা, ৰঙ্গৰস আৰু এইবোৰৰ নিচিনা আন আন কাৰ্য্য, যি বিলাকে এনে আচৰন কৰে তেওঁবিলাকে ঈশ্বৰৰ ৰাজ্যত অধিকাৰ নাপায়, „ ( গোলাতীয়া ৫ ঃ ১৯ ঃ ২১ ) " দ্ৰাক্ষাৰসেৰে মতলীয়া নহবা, কিয়নো তাত ধ্বংস আছে , কিন্তু আত্মাৰে পৰিপূৰ্ণ হোৱা ।" ( ইফীচীয়া ৫ঃ ১৮ )

যীশুৱে তৃষ্ণাতুৰৰ প্ৰতি আহ্বান জনাইছে, "কোনো মানুহৰ যদি পিয়াহ লাগে, তেওঁ মোৰ ওচৰলৈ আহি জীৱন সুধা পাণ কৰক, " ( যোহন ৭ঃ৩৭,৩৮ ) হে তৃষ্ণাতুৰ সকল। তোমালোক প্ৰতিজনে

Copyright ANGP

মোৰ ওচৰলৈ আহাঁ, খোৱা বস্তু কিনা আৰু ভোজন কৰা, এনে কি, আহাঁ বিনামূল্যতে দ্ৰক্ষাৰস আৰু গাখীৰ কিনা ” ( যিচয়া ৫৫ঃ ১ )। “ মই যি পানী দিম, তাক যি পাণ কৰে তেওঁৰ কেতিয়াও পিয়াহ নালাগিব, বৰং মই যি পানী তেওঁক দিম, সেই পানী তেওঁৰ ভিতৰত অনন্ত জীৱনলৈকে বুৰবুৰাই ওলাই থকা পানীৰ উহঁ হব ”( যোহন ৪ঃ ১৪)

৪ **কাছ** ঃ— কাছই অলসতা, গহৰি আৰু যাতুবিদ্যাক বুজায়। অবিশ্বাস হয় যাতুবিদ্যাৰ পাপ। “এলেহুৱাৰ অনিচ্ছাই তাৰ প্ৰাণ নষ্ট কৰে কিয়নো তাৰ হাত কাম কৰিবলৈ অসন্মত। কোনোৱে ওৰে দিনটো লোভ কৰি থাকে ।” ( হিতোপদেশ ২২ঃ ২৫,২৬ ) “যিহোচুৱাই ইজৰাইলী সন্তান বিলাকক কৈছিল, দেশ দখল কৰিবলৈ এলাহ নকৰিবা” মানুহ স্বভাৱতে ঈশ্বৰৰ বস্তু লাভ কৰাত বৰ এলেহুৱা। যীশুৱে কৈছে, “ ঠেক দুৱাৰেদি সোমাবলৈ প্ৰাণপনে চেষ্টা কৰা ” (লুক ১৪ঃ ১৪ ) “ যেয়ে বিচাৰে সেয়ে পায়। স্বৰ্গৰাজ্য বলাক্ৰান্ত হৈছে, আৰু বলৱানে তাক আক্ৰমি লয়।’ (মথি ১১, ১২ )

পৰিত্ৰাণ আৰু আত্মাৰ আত্মিক উদ্ধাৰৰ ক্ষেত্ৰত অলসতাই চিৰ দুঃখলৈ আগবঢ়াই নিয়ে । ই ভগৱানৰ গভীৰ বস্তু বোৰ তন্ন তন্ন কৰি বিচাৰ কৰা আৰু ভগৱানৰ প্ৰচুৰ প্ৰতিভাৰ পৰা আতৰাই ৰাখে, বিনাশলৈ আগ বঢ়াই নিয়ে। যেতিয়া ঈশ্বৰে তোমাৰ হৃদয়ক তেওঁক আজিয়েই সমৰ্পণ কৰিবলৈ কয়, তেতিয়া চয়তানে কাইলৈ নাইবা কোনো এটা সুবিধা জনক দিনত কৰিবলৈ কয়। যিটো দিন কেতিয়াও উদয় নহব পাৰে আৰু যীশুৰ পৰিত্ৰাণৰ অবিহনে তুমি মৰি থাকিবা। ঈশ্বৰে কয় “আজি যদি তোমালোকে তেওঁৰ মাত শুনিবলৈ পোৱা, তোমলোকৰ হৃদয় কঠিন নকৰিবা।” [ইব্ৰী ৩ঃ ৭,৮ ] কেইজনে পৰিত্ৰাণক কোনো সুবিধাজনক দিনৰ বাবে ৰাখি নাশ হৈছে ? কাইলৈ দিনটো তোমাৰ নহয় ।

ডাইনী ডাক্টৰ সকলে কাছৰ চলং ভেলেকীবাজিত ব্যৱহাৰ কৰে, আৰু ই ঈশ্বৰৰ ওপৰত বিশ্বাস ৰখাৰ সলনি যাতুবিদ্যাৰ কাম, ভাগ্যফল



Copyright ANGP

কোৱা বা ঐন্দ্ৰজালিক বিদ্যাত বিশ্বাস ৰখা পাপক অঙুলিয়াই। অসুস্থতা, দুৰ্দ্দশা আৰু বেজাৰৰ সময়ত ভাল বা বেয়া ভাগ্যত বিশ্বাস কৰাৰ সলনি আমাৰ মাজৰ জীৱন্ত ঈশ্বৰক প্ৰাৰ্থনা কৰিবলৈ শিকা হৈছে, ঈশ্বৰে সদায় সহায় কৰিবলৈ প্ৰস্তুত থাকে। কিয়নো "যি হোৱাৰ দ্বাৰাই মানুহৰ গতি স্থিৰ কৰা হয়। "[ গীতমালা ৩৭:২৩ ]" কোনোৱা নৰিয়া পৰিছে নে? তেওঁৰ মণ্ডলীৰ বৃদ্ধলোকক মাতক, পাছে তেওঁলোকে প্ৰভুৰ নামেৰে তেওঁৰ গাত তেল ঘঁহি, তেওঁৰ কাৰণে প্ৰাৰ্থনা কৰক; যাতে সেই আন্তৰিক প্ৰাৰ্থনাই সেই ৰোগী জনক সুস্থ কৰিব আৰু প্ৰভুৱে তেওঁক তুলিব। তেওঁ যদি পাপো কৰিছে তথাপি তেওঁ ক্ষমা পাব। এতেকে তোমালোক সুস্থ হবলৈ ইজনে সিজনৰ আগত নিজ নিজ পাপ স্বীকাৰ কৰিবা আৰু ইজনে সিজনৰ মঙ্গল কামনা কৰি প্ৰাৰ্থনা কৰিবা "[ যাকোব ৫: ১৪, ১৬ ] " কিয়নো পূব, পশ্চিম বা উত্তৰ দক্ষিণৰ পৰা উন্নতি নাহে, আহে ঈশ্বৰৰ পৰা। কিন্তু ঈশ্বৰেই বিচাৰ কৰ্ত্তা। "[ গীতমালা ৭৫: ৬,৭ ] ঈশ্বৰে ইজৰাইলী সন্তান বিলাকক কৈছে যাতে পো জীক জুইৰ মাজেদি গমণ কৰাওঁটা, মঙ্গল চাওঁতা, লক্ষণ, মায়াবী, যন্ত্ৰ গাওঁতা, ভূত পোঁহোতা, মৰা মানুহৰ আত্মাৰ পাৰামৰ্শ লওঁতা এনে লোক তোমাৰ মাজত পোৱা নাযায় কিয়নো তেনেবোৰ কাৰ্য্যকৰা লোক যিহোৱাৰ ঘৃণনীয়। "[ দ্বিতীয় বিৱৰণ ১৮: ১০ ১২ ] " মায়াবী বোৰ, ব্যভিচাৰী বোৰ নৰবধী বোৰ আৰু ভূত-পূজক বোৰ, মিছাকথা ভাল পোৱা, মিছাতে বৰ্তি থকা প্ৰতিজন লোক ঈশ্বৰৰ ৰাজ্যৰ বাহিৰত থাকে '[ প্ৰকাশিত বাক্য ২২:১৫ ]" ভূত পোহা আৰু তন্ত্ৰ মন্ত্ৰ জনা বিলাকৰ ফাললৈ মুখ নকৰিবা। নিজকে অশুচি কৰিবৰ নিমিত্তে সিহঁতক সুধিবলৈ সিহঁতৰ ওচৰলৈ নাযাবা। মই তোমালোকৰ ঈশ্বৰ যিহোৱা "[ লেবীয়া ১৯: ৩১ ] আৰু ভূত পোহোঁতা যাদুকৰ অনৰ্থক হুলস্থূল কৰোতা বিলাকক তোমালোকে এইবুলি সোধা-যেতিয়া কোনোৱে তোমালোকক কব তেতিয়া কৰা মানুহ বিলাকে জানো নিজৰ ঈশ্বৰক নুসুধিব? তেওঁ বিলাকে জানো জীয়া বিলাকৰ অৰ্থে মৃতবোৰক সুধিব? ব্যৱস্থা আৰু সাক্ষক সোধা, এই বাক্য অনুসাৰে

Copyright ANGP

যদি তেওঁলোকে নকয়, তেন্তে নিশ্চয় তেওঁলোকৰ প্ৰভাত নহব ( যিচয়া ৮ঃ ১৯,২০ )

এই সকু কিতাপ খন তুমি পঢ়াৰ সময়ত ঈশ্বৰে তোমাৰ লগত কথা পাতে, তোমাৰ পাপৰ বাবে অনুতাপ আৰু তোমাৰ জীৱন তেওঁক সমৰ্পণ কৰিবলৈ আহবান কৰে। কিন্তু কাছৰ শক্তিয়ে তোমাৰ অন্তৰত বিৰাজ কৰি ঈশ্বৰৰ প্ৰতি তোমাৰ সিদ্ধান্ত স্থগিত ৰাখিবলৈ অনেক ধৰণৰ প্ৰস্তাব তোমাক দিয়ে। তোমাৰ অন্তৰত ভয় সোমোৱাবলৈ চেষ্টা কৰে, মই যদি প্ৰকৃত খ্ৰীষ্টান হওঁ মানুহে, বন্ধুবিলাকে আৰু সংসাৰে কি কব ? মই যদি নাচ, সভা আৰু পাৰ্থিৱ ৰং ধেমালিত ভাগ লব নোৱাৰো তেন্তে কি হব ? "যেতিয়া যীশুক তোমাৰ অন্তৰত প্ৰবেশ কৰিবলৈ দিবা তেতিয়া যীশুখৃষ্টৰ আথাউনীয়া ধনসম্পত্তি; তেওঁৰ অদ্ভুত শান্তি তেওঁৰ অকথনীয় আনন্দ, তেওঁৰ গৌৰৱ আনন্দময় অমৰ জীৱন চোৱাৰ সলনি তুমি যি বোৰ হেৰাব লাগে নাইবা ত্যাগ কৰিব লাগে, সেইবোৰ দেখিবা, মানুহৰ ভয়ৰ লগে লগে মৃত্যুৰ ভয়েও তোমাক চয়তানৰ দাসত্বত ৰাখিব। কিন্তু যি বিলাকে মৃত্যুৰ ভয়ত গোটেই জীৱনৰ দিন বিলাক দাসত্বৰ অধীনত ৰাখিছিল তেওঁ বিলাকক মুক্ত কৰি বলৈকে যীশু আহিছিল। ( ইব্ৰী ২ঃ ১৫ ) গাহৰীৰ শক্তিয়ে তোমাৰ হৃদয়খন কাছৰ চলঙৰ দৰে কঠিন হোৱা লৈকে কঠোৰ কৰে।

**৫ নাহৰ ফুটুকী :— নাহৰ** ফুটুকী এটা দুৰ্দান্ত নিষ্ঠুৰ জন্তু। ঘৃণা খং আৰু দুষ্ট প্ৰকৃতিয়ে বেচি, পৰিমাণে মানুহৰ হৃদয় ধবংস কৰে আৰু বাৰে বাৰে হত্যা কৰিবলৈ আগ বঢ়ায়। তোমাৰ সেই খং চম্ভালিবলৈ তুমি চেষ্টা কৰিবা, চম্ভালিবও পাৰিবা। কিন্তু এদিন ই বৰ ভয়ানক ৰূপে ফুটিব। তোমাৰ হৃদয়ত তাৰ অস্তিত্ব তুমি স্বীকাৰ কৰা উচিত আৰু তাৰ পৰা ৰক্ষা পাবলৈ যীশুক প্ৰাৰ্থনা জনাবা। তোমাৰ চকুত কোনো ক্ৰোধ নাথাকক। "ক্ৰোধ এৰা, কোপ ত্যাগ কৰা; বেজাৰ নকৰিবা তেনে কৰিলে কেৱল হানিহে হয় " [ গীতমালা ৩৭ ঃ ৮ ] " ক্ৰোধ; নিষ্ঠুৰতা, আৰু খং বানপানীৰ নিচিন, কিন্তু স্ত্ৰী বিষয়ক ঈৰ্ষাৰ আগত কোনে থিয় হব পাৰে ? " [ হিতোপদেশ ২৭,৪ ] তোমাৰ মনত হঠাতে

Copyright ANGP

খং উঠিবলৈ নিদিবা, কিয়নো অজ্ঞান বোৰৰ বুকুৱেই আশ্ৰয়, "( উপদেশক ৭ঃ ৯ ) ' ক্ৰোধ, খং এই সকলোক দূৰ কৰা " (কলচীয়া ৩ঃ ৮ )

অনেক ভয়াতুৰ মানুহে কোনো কাম বা প্ৰতিশোধ লোৱা সময়ত নিজকে উৎসাহিত কৰিবলৈ মদ খায়। কিন্তু " সিহঁতৰ দ্ৰাক্ষৰস সাপৰ বিষৰ নিচিনা ও ফেটিসাপৰ দাৰুণ হলাহলৰ তুল্য।" ( দ্বিতীয় বিৱৰণ ৩২ঃ৩৩ ) পাতকী হৃদয়ত প্ৰতিশোধ হয় মিঠা. কিন্তু ঈশ্বৰেই আমাৰ লওঁতা। যীশুৱে কৈছে- "তোমাৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ মৰম কৰা আৰু তোমালোকৰ শত্ৰু বিলাককো প্ৰেম কৰিবা।" ভগৱানে আমাৰ পাপ ক্ষমা কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল, যেতিয়া আমিও আনৰ দোষ ক্ষমা কৰা উচিত। ভগৱানৰ সন্মুখত এটা গোঙোৰা, অসৎ মন সমানে ঘৃণনীয়। মানুহৰ হৃদয়ত হত্যা আৰু যুদ্ধৰ বাবে অসৎভাৱ থাকে। এতেকে হৃদয়ৰ প্ৰকৃতস্থায়ী শান্তি স্থাপন কৰিব লাগে।

**৬। সাপঃ--** ইভন্ বাগিছাত সাপে ইভক প্ৰতাৰণা কৰিছিল আৰু ভগৱানৰ সৈতে থকা সুৱলা সম্পৰ্ক, ঐক্যতা নষ্ট কৰিছিল। পতিত দেৱদূত, চয়তানে আদম আৰু ইভৰ প্ৰতি ঈৰ্ষান্বিত হৈছিল। যেতিয়া তেওঁলোকক লুচিফেৰৰ ঠাইত পৃথিৱীৰ শাসনকৰ্ত্তা হিচাপে ও ভগৱানৰ লগত সম্পূৰ্ণ সংযোগত থকা দেখিছিল। ঈৰ্ষাৰ বশৱৰ্ত্তী হৈ চয়তানে তেওঁলোকৰ বিনাশৰ বুদ্ধি সাজিছিল ও ভগৱানৰ লগত থকা তেওঁলোকৰ জীৱনৰ অদ্ভুত ঐক্যতা নষ্ট কৰাত সফল হ'ল। মানুহৰ হৃদয়তো সেই একে পিশাচী ঈৰ্ষা ও হিংসাই কিছুমানৰ অন্তৰত থকা আনন্দ আৰু সুখেৰে জীৱন যাপন কৰা দেখে। "অন্তৰ্জ্বালা চিয়োলৰ নিচিনা নিষ্ঠুৰ" ( পৰমগীত ৮ঃ৬ ) সেইটো তানৰ সুখ নষ্ট কৰিবলৈ ও হত্যা কৰিবলৈ হৃদয়ত অনিষ্টকাৰী ভাৱ সৃষ্টি কৰে। ই বিশেষকৈ বিবাহিত লোকৰ জীৱনত, ব্যৱসায় তথা জীৱনৰ সকলো কৰ্ম্মক্ষেত্ৰত ই অকথনীয় দুখ কষ্ট ও ঘৃণাৰ সৃষ্টি কৰে। খ্ৰীষ্টীয় কৰ্ম্মী সকল, উপদেশক সকল ও ধৰ্ম্মাচাৰ্য্য সকলেও ইয়াৰ আক্ৰমণৰ পৰা মুক্ত নহয়। যদি ভগৱানে তেওঁলোকৰ সলনি তেওঁলোকতকৈ বেছি তেওঁৰ সেৱকসকলক ব্যৱহাৰ কৰে, নিজৰ প্ৰতি সদায়ে সতৰ্কিত হোৱা আৰু ভগৱানৰ পবিত্ৰ প্ৰেমেৰে পূৰ্ণ



Copyright ANGP

হৈ থকা উচিত। যিটোক পৱিত্ৰ আত্মাই আমাৰ হৃদয়ত বৰ্ষণ কৰে, নহলে ভগৱানক তেওঁলোকৰ প্ৰয়োজনীয়তা ও যাজকতা পিশাচীয় ঈৰ্ষা শক্তিৰে ক্ষতি কৰা হয়।

**৭। ভেকুলী ঃ-** ভেকুলীয়ে পৃথিৱীৰ ওপৰত খোৱাবোৱা কৰে। লোভ ও ধনাশক্তিৰ বিষয়ে যি কয় সিয়ে সকলো অথন্তৰৰ মূল। ( ১ তিম ৬ঃ৩ ) কঙ্গ দেশত এবিধ ভেকুলীয়ে পেট ফুটি মৰা পৰ্য্যন্ত শ শ পৰুৱা খোৱা দেখা গৈছে। লুভীয়া মানুহে হাত খুলি দুখীয়া দৰিদ্ৰ লোকক সহায় কৰিব নোখোজে। বৰং তেওঁ সৎভাৱে হওক বা অসৎভাৱে হওক কোনোমতেই এই পৃথিৱীৰ ধন-সম্পত্তি পাবলৈ চেষ্টা কৰে, কিন্তু এইবোৰ মামৰ ও পোকে নষ্ট কৰিব। যীশুৱে নিজে কৈছিল- "যি ঠাইত পোক ও মামৰে ক্ষয় কৰে, চোৰেও সিন্ধি দি চুৰ কৰে। এনে পৃথিৱীত নিজলৈ ধন নাসাঁচিবা ; কিন্তু য'ত পোক ও মামৰে ক্ষয় নকৰে, চোৰেও সিন্ধি নিদিয়ে এনে স্বৰ্গত নিজলৈ ধন সাঁচা, কিয়নো য'তে তোমাৰ ধন ত'তে তোমাৰ মনো হব।"

( মথি ৬ঃ১৯-২১ ) আচান আৰু তেওঁৰ পৰিয়াল সোণ, ৰূপ, মূল্যবান পাথৰ, পোছাক আদি ভালপোৱাৰ বাবে মৰি গ'ল। ( যিহোচুৱা ৭ ) যীশুৰ শিষ্য যুদাচ ইস্কাৰিয়তে ধন-সম্পত্তিৰ লোভত তেওঁৰ প্ৰভু ও গৰাকীক বিশ্বাসঘাটকতা কৰি নিজে ফাঁচি ললে। ধন সোণ বেয়া নহয়, কিন্তু মানুহৰ হৃদয়ত লুকাই থকা ধনৰ লোভহে অনিষ্টকাৰী হয়।

সকলো শ্ৰেণী ও জাতিৰ হেজাৰ হেজাৰ লোক জুৱা খেলা, ঘোড়া ও কুকুৰা দৌৰ ইত্যাদিত অনেক টকাৰ বাজি ৰাখি তৎক্ষণাত বহুত ধন সম্পত্তি পাবলৈ আকাঙ্খ্যা কৰি তেওঁলোকৰ তথা পৰিয়ালৰ জীৱন নষ্ট কৰে। বেছি শ্ৰম নকৰাকৈ ধনী হবলৈ কৰা ইচ্ছায়ে চুৰি হত্যা ও আত্মহত্যা কৰিবলৈও আগবঢ়ায়। ধন প্ৰেম আৰু লোভৰ অনেক লগৰীয়া থাকে। যেনে খ্যাতি ও ক্ষমতাৰ প্ৰেম। এই প্ৰেম হব পাৰে আনৰ ওপৰত শাসন চলাবলৈ ৰাজকীয় ক্ষমতা, দৰিদ্ৰৰ ওপৰত অত্যাচাৰ কৰিবলৈ আৰ্থিক ক্ষমতা, ভগৱানৰ সলনি ধৰ্ম্মমণ্ডলীৰ সংগঠনক নাম কৰিবলৈ বেছি উৎসাহিত হৈ কোনো এটা নিৰ্দিষ্ট ধৰ্ম্মমণ্ডলীক লাগি নধৰি

Copyright AIGP

যীশু খ্ৰীষ্টক অনুসৰণ কৰিবলৈ সাহ পোৱা যি কোনো সাধুক দোষী কৰা ধাৰ্মিক ক্ষমতা। ( মাৰ্ক ৯ঃ৩৮ ) যীশুৱে কৈছে 'সকলো লোভৰ পৰা নিজকে বিৰত ৰাখি সাৱধানে থাকিবা, কিয়নো ধন উপচি পৰিলেও মানুহৰ জীৱন তেওঁৰ সম্পত্তিৰে নহয়।' ( লূক ১২ঃ১৪ ) এজন মূৰ্খ ধনীৰ কাহিনী এনে ধৰণৰ "এজন ধনী মানুহৰ মাটিত বহুত শস্য উৎপন্ন হৈছিল। শস্য থবলৈ ঠাই নোহোৱাত তেওঁ ডাঙৰ ডাঙৰকৈ ভড়াল সাজিবলৈ ঠিক কৰিলে। তেওঁ মনতে ভাবিলে মোৰ সকলো শস্য ও বস্তু এই ভড়ালবোৰত সামৰি থম আৰু মোৰ প্ৰাণক কম 'হে প্ৰাণ, অনেক বছৰলৈকে তোমালৈ অনেক বস্তু সাঁচি থোৱা হৈছে, জিৰাই সতাই থাকা, ভোজন পান কৰি ৰং কৰা।" কিন্তু ভগৱানে তেওঁক কলে 'হে নিৰ্ব্বোধ! আজি ৰাতি তোমাৰ প্ৰাণ তোমাৰ পৰা আঁতৰাই নিয়া হব। যিবোৰ বস্তু যুগুত কৰি থৈছা সেইবোৰ কাৰ হব? যি জনে ঈশ্বৰলৈ ধন নথৈ নিজলৈ ধন সাঁচি থয় তেওঁৰ অৱস্থা তেনেকুৱা হয়।' (লূক ১২ঃ ১৬-২১) 'কাৰণ কোনো এজন মানুহে গোটেইখন জগত পায়ো নিজৰ প্ৰাণ হেৰুৱালে, তেওঁৰ কি লাভ?" (মাৰ্ক ৮ঃ৩৬) 'তোমালোকে কি খাম বুলি প্ৰাণৰ নিমিত্তে, কি পিন্ধিম বুলি শৰীৰৰ নিমিত্তে চিন্তা নকৰিবা কিন্তু তোমালোকে তেওঁৰ ৰাজ্য বিচাৰা, তাতে এইবোৰো তোমালোকক দিয়া হব। কিয়নো য'তে তোমালোকৰ ধন ত'তে তোমালোকৰ মনো হব।' ( লূক ১২ঃ২২-৩৪ )

**৮। চয়তান** :— চয়তান হয় অসত্যবাদীৰ দেউতাক, নানাবিধ পাপৰ কুমন্ত্ৰী ও হৃদয়ৰ শাসনকৰ্ত্তা। যীশুৱে কৈছিল 'তোমালোকৰ পিতৃ চয়তানৰ পৰাহে তোমালোক হ'লা, তোমালোকৰ পিতৃৰ অভিলাষ পুৰ কৰিবলৈ ইচ্ছা কৰা। সি আদিৰে পৰা নৰবধী আৰু সত্যত নাথাকে, কিয়নো তাত সত্য নাই। সি যেতিয়া মিছা কয় তেতিয়া নিজৰ পৰাহে কয়। কিয়নো সি মিছলীয়া আৰু তাৰ বাপেক। '(যোহন ৮ঃ৪৪) এটা সৰু মিছা কথাই ডাঙৰ অসত্যতাৰ তুল্য। মিছা কথাই হয় কথিত, লিখিত, ভাও দিয়া। এজন কপটলোকে অৱশ্যে এজন অসত্যবাদী, কিয়নো তেওঁ যি নহয় তাকে ছলনা কৰে। ভগৱানে মিছা কব নোৱাৰে তেনেকৈয়ে এজন খ্ৰীষ্টানেও

Copyright ANGF

( তীত ১:২ )। 'তেওঁৰ সৈতে আমাৰ সহযোগীতা আছে বুলি কৈ যদি আমি আন্ধাৰত ফুৰোঁ তেন্তে মিছা কওঁ, সত্য পালন নকৰো।' (১ যোহন ১:৬) 'কিন্তু কুকুৰবোৰ, মায়াবীবোৰ, ব্যভিচাৰীবোৰ, নৰবধীবোৰ, ভূত পূজকবোৰ, মিছাকথা ভালপোৱা আৰু তাক সজা প্ৰতিজন লোক ৰাহিৰত থাকে।' (প্ৰকাশিত ২১:৬৫) মিছা সাক্ষী ও অসত্যবাদীক ভগৱানে ঘৃণা কৰে ( হিতোপদেশ ৬:৯ )।

৯। **তৰা** :— তৰাই প্ৰত্যেক মানুহৰ অন্তৰত থকা বিবেকশক্তিক বুজায়। ইয়াত এইটো কলুষিত হোৱা অনিষ্টকাৰী তৰা। বোধহয় অবিৰত স্বইচ্ছাৰে পাপ কৰি মৃত, অন্ধ ও বিপথগামী হৈছে যাতে ই তাৰ নিজ কাৰ্য্যৰ বিচাৰ কৰিব নোৱাৰে। এই দুষ্ট বিবেচনাই কেতিয়াবা নিমাত, কেতিয়াবা অশান্তি হব পাৰে। এইটোৱে নিজকে দোষী কৰে যেতিয়া ক্ষমা কৰিব লাগে আৰু ক্ষমা কৰে যেতিয়া দোষী কৰিব লাগে। এইটো গৰম লোহাৰে পোৰা নিচিনা বিশ্বাসৰ পৰা আঁতৰত গৈ ফুচুলাই নিয়া শক্তিক আৰু চয়তানৰ বিধানক মন দি কপটাচৰণত মিছা কথা কৈ গোটেই জ্ঞান আৰু চেতনা হেৰুৱাইছে ( ১ তিম ৪: ১, ২, ইব্ৰী ১০:২১.)

১০. **চকু** :— হৃদয়ত চলি থকা সকলোকে ঈশ্বৰৰ চকুৱে দেখে। ঈশ্বৰৰ উজ্জ্বল চকুৰ পৰা একো লুকাই ৰাখিব নোৱাৰে। গতিকে হৃদয়ৰ গুপ্ত চিন্তা আৰু উদ্দেশ্য সকলোকে ঈশ্বৰে জানে, আৰু দেখে, তুমি যদি তোমাৰ তোমাৰ বেয়া কাম অত্যন্ত আন্ধাৰ ৰাতি ডাঠ হাবিত, দ খালত বা যি কোনো ঠাইত কৰিলেও ঈশ্বৰে দেখে। ( এই ছবিবোৰত চকু মানুহৰ মুখৰ পৰিবৰ্ত্তনৰ তুল্য )।

১১। **সৰু অগ্নিশিখাবোৰ** :— হৃদয়ৰ চাৰিওফালে থকা অগ্নিশিখাবোৰে পাপী হৃদয়ক ঘেৰি ৰখা ঈশ্বৰৰ প্ৰেমৰ অনুৰূপ হয়। ঈশ্বৰে পাপ ঘিণ কৰিলেও তেওঁ মানুহক প্ৰেম কৰে, পাপীৰ মৃত্যু নিবিচাৰে। বৰং তেওঁ অনুতাপ কৰি জীৱন যাপন কৰাত সহায় কৰে। যীশুৱে পাপীক ৰক্ষা কৰিবলৈ আহিছিল। এজন অনুতাপিত পাপীৰ স্বৰ্গত বৰ আনন্দ হয়। সৰু অগ্নিশিখাবোৰে যীশুখ্ৰীষ্ট "বিশ্বপাপহৰ, ঈশ্বৰৰ ভেড়া পোৱালীৰ ৰক্ত"ৰ বিষয়ে কয়।

Copyright ANGP

**১২। দেৱদূত ঃ—** দেৱদূত হ'ল ঈশ্বৰৰ বাক্যৰ অনুৰূপ। ভগবানে চলা পোৱা আৰু পাপী মানুহৰ লগত কথা পাতিব বিচাৰে যাতে মানুহে অনুতাপিত হৈ ভগৱানৰ পোহৰ ও প্ৰেম তেওঁৰ হৃদয়লৈ আহিবলৈ দিব পাৰে।

**১৩। কপৌ ঃ—** কপৌ চৰায়ে পৱিত্ৰ আত্মা অৰ্থাৎ সত্যতাৰ আত্মা যিটোৱে পাপক দোষী সাব্যস্ত কৰে, ধৰ্ম্মনিষ্ঠা আৰু বিচাৰৰ প্ৰতিৰূপ, পৱিত্ৰ আত্মাৰ ছবি মনুষ্য হৃদয়ৰ বাহিৰত আছে। পাপে শাসন কৰা ক্ষেত্ৰত তেওঁ বাস কৰিব নোৱাৰে।

হৃদয়ৰ এই ছবিয়ে যদি তোমাৰ হৃদয়ৰ অৱস্থাৰ তুল্য তেন্তে ঈশ্বৰক প্ৰাৰ্থনা কৰা। তোমাৰ হৃদয় তেওঁক মুকলি কৰি তেওঁৰ বাণীৰ পোহৰেৰে উজ্জ্বল হবলৈ দিয়া। "প্ৰভূ যীশুখ্ৰীষ্টত বিশ্বাস কৰা আৰু তুমি পৰিত্ৰাণ পাবা।" ভগবানে যদি সন্মত হয় তেওঁ তোমাৰ হৃদয় পৰিবৰ্ত্তন কৰিবলৈ এটা নতুন হৃদয় আৰু নতুন আত্মা দিবলৈ প্ৰতিজ্ঞাবদ্ধ। দ্বিতীয় ছবিত এই কথা প্ৰকাশ কৰা হৈছে।

Copyright ANCP

## দ্বিতীয় ছবি

এই ছবিয়ে অনুতাপ কৰি থকা হৃদয়ত ঈশ্বৰক বিচাৰিবলৈ আৰম্ভ কৰে। দেৱদূতে তৰোৱাল অৰ্থাৎ ভগৱানৰ বাক্য ধৰি আছে যিটো "জীয়া, কাৰ্য্যসাধক আৰু আটাই দুধৰীয়া তৰোৱালতকৈও চোকা, প্ৰাণ, আত্মা গাঁঠি আৰু মজ্জা, এই সকলোকে ভেদ কৰিবলৈকে বিন্ধোতা. মনৰ ভাৱনা আৰু অভিপ্ৰায়কো চিনোতা।" (ইব্ৰী ৪:১২) ভগৱানৰ বাক্যই তেওঁৰ মনত পেলাই দিয়ে যে, "পাপৰ পৰিণাম মৃত্যু" আৰু 'এবাৰ মাথোন মৰিবলৈ ও তাৰ পাচত বিচাৰ মানুহৰ নিমিত্তে নিৰূপিত আছে।' (ইব্ৰী ৯:২৭) পাপী ও অবিশ্বাসীৰ ভাগ্য গন্ধক ও অগ্নিশিলেৰে জ্বলি থকা জুইৰ হ্ৰদত।

দেৱদূতে আনহাতত মূৰৰ খোলা এটা ধৰি আছে। এইটো পাপীৰ মনত পেলাবলৈ আমি সকলোৱে মৰিব লাগে। আমাৰ শৰীৰ, যিটো আমি বৰ ভাল পাওঁ, কাপোৰ পিন্ধাওঁ পোহপাল দিওঁ আৰু শুৱনি কৰোঁ।

যত্ন আৰু মন-কাম কৰো। কেৱল আমাৰ কামভাৱ ও হাবিয়াসক তুষ্ট কৰিবলৈ। সেইটো গেলি যাব ও পোকে নষ্ট কৰিব, কিন্তু আমাৰ প্ৰাণ আৰু আত্মা অনন্ত কাললৈ জীৱাই থাকি এদিন ভগৱানৰ বিচাৰ আসনৰ সন্মুখত উপস্থিত হব।




পাপীয়ে ইয়াত ভগৱানৰ উপদেশক মন দিবলৈ আৰু ভগৱানৰ প্ৰেমেৰে তেওঁৰ হৃদয় খুলিবলৈ আৰম্ভ কৰিছে। পৱিত্ৰ আত্মাই কণা-মুনা আৰু পাপীৰ হৃদয়ত উজ্জ্বল হবলৈ আৰম্ভ কৰে। ভগৱানৰ জ্যোতি তেওঁৰ অন্তৰলৈ সোমায় অন্ধকাৰ দূৰ কৰিবলৈ। যেতিয়া ভগৱানৰ পোহৰ


সোমায় তেতিয়া এন্ধাৰ অৱশ্যে দূৰ হব লাগে। এতেকে প্ৰিয় পাঠক, এই পৃথিৱীৰ পোহৰ, যীশুক তোমাৰ হৃদয়ত সোমাবলৈ দিয়া আৰু ছবিত দেখুৱাই দিয়াৰ দৰে এন্ধাৰ ও এন্ধাৰৰ কাৰ্য্য হৃদয়ৰ পৰা আতৰাব লাগে। যীশুৱে কৈছে, "মই জগতৰ পোহৰ। যিজন মোৰ পাছে পাছে আহে তেওঁ আন্ধাৰত নুফুৰি জীৱনৰ পোহৰ পাব।" (যোহন ৮:১২) তোমাৰ নিজৰ চেষ্টা নিজৰ জ্ঞান নাইবা মানুহৰ জ্ঞানেৰে তোমাৰ অন্তৰৰ পৰা আন্ধাৰক বাহিৰ কৰাত সফল নহবা। অতি সৰল, একমাত্ৰ উপায় হয় যীশু। জগতৰ পোহৰক সোমাবলৈ দিয়া, এন্ধাৰ অৰ্থাৎ পাপ আতৰি যাব। ঘোপমৰা অন্ধকাৰ ৰাতি জোন আৰু তৰাবোৰে অলপ সহায় দিব পাৰে, সূৰ্য্য উদয় হোৱাৰ পিচত আন্ধাৰ ও সৰু পোহৰ বোৰ অন্তৰ্ধ্যান হয়। যীশু ধৰ্ম্মনিষ্ঠাৰ সূৰ্য্য। তেওঁ জেৰুজালেমৰ মন্দিৰত সোমাই ষাড়, ভেড়া, কপৌ বেচোতা আৰু ধন বিনিময় কৰা বিলাকৰ ধন পেলাই দি কলে, "লিখা আছে মোৰ ঘৰকে প্ৰাৰ্থনাৰ ঘৰ বোলা হব; কিন্তু তোমা-লোকে তাক ডকাইতৰ গুহা কৰিছাহঁক।" (মথি ২১:১৩) তোমাৰ হৃদয় ঈশ্বৰৰ ঘৰ ও মন্দিৰ হবলৈ নিয়োগ কৰা হৈছে। ভগৱানে তাত বাস কৰিবলৈ আৰু শুৱনি কৰিবলৈ পোহৰ, প্ৰেম ও আনন্দেৰে ভৰাই দিব বিচাৰে। যীশুৱে কেৱল আমাৰ পাপ ক্ষমা কৰিবলৈহে নহয় বৰং পৰি-ত্ৰাণ দিবলৈ, পাপৰ ক্ষমতা আৰু অধিকাৰৰ পৰা মুক্ত কৰিবলৈ আহিছিল। "পুত্ৰই যদি তোমালোকক মুক্ত কৰে তেন্তে তোমালোক নিশ্চয় মুক্ত হবা। ( যোহন ৮:৩৬ )

## তৃতীয় ছবি

এই ছবিয়ে প্ৰকৃততে অনুতাপী পাপীৰ হৃদয়ৰ অৱস্থা দেখুৱাই দিয়ে। তেওঁ এতিয়া তেওঁৰ পাপৰ প্ৰকাণ্ডতা ও ভয়াবহতা বুজে। যাৰ বাবে যীশুৱে ক্ৰুচত মৰিছিল। দেৱদূত ও ভগৱানৰ বাক্যই ব্যক্ত কৰা ক্ৰুচক দেখোতে তেওঁৰ অনুতাপী হৃদয় ভঙ্গ হয়, পাপৰ বাবে অতি গভীৰ আন্তৰিক খেদ আৰু দুখেৰে ভৰি যায়।

যীশুত প্ৰকাশিত ভগৱানৰ অগাধ প্ৰেম দেখোতে তেওঁৰ অন্তৰ গলাই দিয়ে। বিশেষকৈ যেতিয়া তেওঁ বুজি পায় যে ভগৱানৰ পুত্ৰ যীশুখ্ৰীষ্টই

তেওঁৰ পাপ মোচনৰ বাবে আহিছিল। তেওঁ স্ব-ইচ্ছাৰে দেওপৰা ক্ৰুচত মৰিলে। যীশুক চমতাৰে কোবোৱা, কাঁইটৰ মুকুট পিন্ধোৱা, কঠোৰ গজাল তেওঁৰ হাত-ভৰিত দিয়া আৰু ক্ৰুচত আমাৰ পাপৰ বাবে মৃত্যু হোৱা আচল কথাই অনুতাপী পাপীৰ মনত স্পষ্ট ও দকৈ বুজাই




তেওঁৰ হৃদয় ও জীৱন পৰিৱৰ্ত্তন কৰে। ঈশ্বৰৰ বাক্য পঢ়াৰ সময়ত নিজকে তাত দাপোনত দেখাৰ দৰে দেখিব পাৰে, তেওঁ বেছিকৈ গম পায় যে তেওঁ ভগৱানৰ পৰা কিমান আঁতৰি গৈছে ও ভগৱানৰ নিৰ্দেশ বোৰ ভঙ্গ কৰিছে। অগাধ দৈৱিক শোক ও অনুতাপে তেওঁক ধৰি ৰাখে,

ভগৱানৰ আগত বিৰক্তি আৰু অত্যন্ত শোকেৰে তেওঁৰ হৃদয় মুকলি কৰোতে যীশুৱে ওচৰ চাপে। 'ঈশ্বৰ পুত্ৰ যীশুৰ তেজে সকলো পাপৰ পৰা আমাক শুচি কৰে।' ( ১ যোহন ১ঃ৭ ) এই কথা তেওঁ বুজি পাওঁতে ঈশ্বৰৰ প্ৰেম ও শান্তি তেওঁৰ হৃদয়ত সোমায়। 'যিহোৱা ভগ্ন-চিত্তিয়া বিলাকৰ ওচৰ খেদিত মন হোৱা বিলাকক তেওঁ পৰিত্ৰাণ কৰে।' (গীতমালা ৩৪ঃ১৮ ) আকৌ ঈশ্বৰৰ বাক্য ঘোষণা কৰে, 'এজনলৈহে দুখীয়া, ভগ্ন চিত্তায়া আৰু মোৰ বাক্যত কঁপা এনে মানুহলৈহে মই ঘৃণা কৰিম।' (যিচয়া ৬৬ঃ২) পৱিত্ৰ আত্মাই যীশুৰ কথাখিনি তেওঁক ফুচফুচাই কয়, 'বোপা আনন্দ কৰা, তোমাৰ পাপবোৰ ক্ষমা কৰা হৈছে।' ক্ৰুচ আৰু ক্ৰুচৰ ওপৰত ৰক্তপাত হোৱা যীশুৰ ৰক্ত দেখি আৰু এইবোৰ তেওঁৰ কাৰণে কৰা হৈছে। কথাটো বিশ্বাস কৰি তেওঁ অনুভৱ কৰে যে তেওঁৰ পাপৰ বোজা মোচন কৰা হৈছে, কিয়নো যীশুৱে আমাৰ শোক বহন কৰি আমাৰ দুখ কষ্ট সহ্য কৰিলে ও আমাৰ অধৰ্মবোৰৰ নিমিত্তে তেওঁক খোচা হ'ল। আমাৰ অপৰাধ বোৰৰ বাবে গুড়ি কৰা হ'ল আৰু যিহোৱাই আমাৰ সকলোৰে অপৰাধৰ ভাৰ তেওঁৰ ওপৰত দিলে। ( যিচয়া ৫৩ )

পৱিত্ৰ আত্মা আৰু ঈশ্বৰৰ প্ৰেমে পৰিস্কাৰ হৃদয় দখল কৰে। ক্ৰুচ আৰু যীশুলৈ বিশ্বাসেৰে চাওঁতে তেওঁ অনুভৱ কৰে যে তেওঁৰ পাপবোৰ ক্ষমা কৰা হৈছে, গতিকে তেওঁৰ হৃদয়ত আশ্বাস পায় যে ভগৱানৰ পুত্ৰ যীশুৰ তেজেৰে সকলো পাপৰ পৰা তাক শুচি কৰিলে (১ যোহন ১ঃ৭ ) তেওঁ এতিয়া নিশ্চয় জানে যে যি জনে যীশুত বিশ্বাস কৰে তেওঁ নষ্ট নহয় কিন্তু অনন্ত জীৱন পায়। ( যোহন ৩ঃ১৮) কিয়নো যীশুত 'আমি তেওঁৰ তেজৰ দ্বাৰাই মুক্তি অৰ্থাৎ অপৰাধ বোৰৰ মোচন অনুগ্ৰহৰূপ ধনৰ দৰে পালো।' ( ইফিচীয়া ১ঃ৭ ) শৰীৰৰ পাপী কাম ভাৱে এতিয়া ভগৱানৰ বাবে জীয়াই থাকিবলৈ আৰু তেওঁৰ সেৱা কৰিবলৈ কৰা ইচ্ছাক ঠাই দিয়ে, 'যিজনে আমাক প্ৰথমেই প্ৰেম কৰিছিল।' পৃথিৱী আৰু পাৰ্থিৱ বস্তুক প্ৰেম কৰাৰ পৰিবৰ্ত্তে তেওঁ এতিয়া ঈশ্বৰ ও ঐশ্বৰিক বস্তুক প্ৰেম কৰে।'

Copyright ANGP

গতিকে এই ছবিত আমি দেখোঁ যে পাপৰ প্ৰতীক স্বৰূপ জন্তুবোৰ এতিয়া হৃদয়ৰ পৰা বাহিৰ হৈ আছে। কিন্তু চয়তানে তাৰ আগৰ বসতি স্থান এৰি দিবলৈ অনিচ্ছা ভাও জুৰি উলটি চাই থাকে আৰু আকৌ সোমাবলৈ আশা কৰি আছে। সেইকাৰণে চয়তানক ৰোধিবলৈ যীশুৱে আমাক সতৰ্ক কৰি কয়, 'পৰ দি থাকা আৰু প্ৰাৰ্থনা কৰা, যাতে তেওঁ আমাৰ পৰা পলাই যায়।'


## চতুৰ্থ ছবি

এই ছবিয়ে এজন খ্ৰীষ্টিয়ৰ বিষয়ে কয়, যি জন আমাৰ প্ৰভু ও ত্ৰাণ কৰ্ত্তা যীশুখ্ৰীষ্টৰ বলিদানৰ দ্বাৰা সম্পূৰ্ণ শান্তি আৰু মুক্তি লাভ কৰিছে গতিকে 'আমাৰ প্ৰভু যীশুখ্ৰীষ্টৰ ক্ৰুচত বাজে, যাৰ দ্বাৰা জগত খনেই তালৈ ও সি জগত খনলৈ ক্ৰুচত হত হ'ল।' (গালাতীয়া ৬ঃ১৪) তেওঁ আন কোনো বস্তুত গৌৰৱ নকৰে। যীশুখ্ৰীষ্টই ক্ৰুচত মৰিল, সেয়ে আমিও 'যেন পাপৰ বাবে মৰি, ধাৰ্ম্মিকতাৰ বাবে জীওঁ।' (১ পিতৰ ২ঃ২৪) এজন খ্ৰীষ্টিয় জগতৰ বাবে ক্ৰুচত নিহত হৈছে। আমাক আদেশ দিয়া আছে যে, "আত্মাৰে চলা; তাত তোমালোকে মাংসৰ অভিলাষ পুৰ নকৰিবা।' (গালাতীয়া ৫ঃ১৮ঃ১৫)

যীশুৰ পোছাক উলিয়াই দিয়াৰ পিচত তেওঁক বান্ধি দিয়া খুটা, চাবুক আৰু চমটা যি বোৰৰ দ্বাৰা তেওঁৰ নিষ্ঠুৰ ভাৱে কোবোৱা হৈছিল। সেই-বোৰ এই ছবিত অঙ্কিত কৰা হৈছে। তেওঁক আমাৰ পাপৰ বাবে বধ কৰা হৈছিল, কাৰণ 'শান্তিৰ দণ্ড তেওঁৰ ওপৰত আছিল।' হেৰদ আৰু তেওঁৰ মানুহবিলাকে তেওঁক ঠাট্টা কৰিলে, তেওঁক চমতাৰে কোবোৱাৰ পিছত তেওঁৰ মূৰৰ ওপৰত সোণৰ মুকুট সজোৱাৰ সলনি এটা কাঁইটৰ মুকুট সাজি পিন্ধাই দিলে, ৰাজদণ্ডৰ সলনি সোঁহাতত এটা নল ৰাখিলে ও তেওঁৰ আগত প্ৰণাম কৰিলে আৰু ঠাট্টা কৰি কলে, "হে ইহুদী বিলাকৰ ৰজা! জয় হওঁক।" তেওঁৰ মুখত তেওঁলোকে থু পেলালে আৰু তেওঁৰ পৰা নল উলিয়াই তেওঁৰ মূৰত মাৰিলে। তেওঁক নিন্দনীয় ও নিষ্ঠুৰ ভাৱে ঠাট্টা কৰাৰ পিছত ফেৰেঙণিত বান্ধি মাৰিবলৈ লৈ গ'ল।

Copyright ANGP

বহুত এনে খ্ৰীষ্টিয় আছে, যি সকলে গির্জাবোৰত প্ৰাৰ্থনা কৰে, খ্ৰীষ্ট ভোজ গ্ৰহণ কৰে, ভগৱানৰ গান গায়। তথাপিও তেওঁলোকৰ কুকৰ্মৰ




দ্বাৰা ত্ৰাণকৰ্ত্তাক বাৰে বাৰে ক্ৰুচবিদ্ধ কৰে। “যি বিলাকে মোক প্ৰভু প্ৰভু বোলে তেওঁলোক সকলোৱে যে স্বৰ্গৰাজ্যত সোমাব এনে নহয়, যি জনে স্বৰ্গত থকা মোৰ পিতৃৰ ইচ্ছা পালন কৰে সেইজনহে সোমাব।’ ( মথি ৭:২১-১৭ ) এই ছবিত যুদাচৰ ধনৰ মোনা চাবলৈ পাওঁ। যি জনে প্ৰভু যীশুক বিশ্বাসঘাটক কৰিছিল আৰু ৩০ টা ৰূপৰ মূদ্ৰাৰ মূল্যত বিক্ৰী কৰিছিল, কিয়নো ধনৰ প্ৰেমে তেওঁৰ হৃদয় ভৰি আছিল


ও মন অন্ধ কৰিছিল। যীশুক বন্দী কৰি লওঁতে সৈনিক সকলে চাকি, শিকলি আদি ব্যৱহাৰ কৰিছিল। জুৱা খেলাত ব্যৱহাৰ কৰা পাশাক সৈনিক সকলে যীশুৰ পোছাকৰ অৰ্থে চিঠি খেলাৰ সময়ত ব্যৱহাৰ কৰিছিল। এনেকৈয়ে ভগৱানৰ ভৱিষ্যতবাণী পূৰ্ণ হ'ল। 'সিহঁতে নিজৰ মাজত মোৰ কাপোৰ ভাগ বাতি লৈছে, সিহঁতে মোৰ বস্ত্ৰৰ অৰ্থে চিঠী খেলাইছে।' ( গীতমালা ২২:১৮ ) যীশুৰ পৰা সকলো বস্তু নিলে কিন্তু তেওঁক তেওঁলোকে ত্যাগ কৰি কলে, "মানুহে আমাৰ ওপৰত শাসন চলাব নালাগে। মানুহ জাতিয়ে প্ৰায়ে ভগৱানৰ পৰা আশীৰ্ব্বাদৰ বৰষূণ ও ৰ'দ পাবলৈ উৎকণ্ঠিত হয়, কিন্তু তেওঁলোকে ভগৱানৰ একমাত্ৰ শাসন ব্যৱস্থাৰ ওচৰত সৈমান হবলৈ বাধ্য নহয়। বহুতক ভগৱানৰ আৱশ্যক হয় কেৱল দুখ কষ্ট আৰু নিৰাশাৰ সময়তহে। বৰছাৰে সৈনিক সকলে তেওঁৰ হৃদয় আৰু কোষত বিন্ধিলে তেতিয়াই "তাৰ পৰা তেজ আৰু পানী ওলাল।" ( যোহন ১৯ : ৩৩ ) কুকুৰাই ডাক দিয়াৰ আগতেই পিতৰে যীশুক তিনিবাৰ অস্বীকাৰ কৰিছিল, কিন্তু পিচত অতি বিৰক্তিৰে অনুতাপ কৰিছিল। তোমাৰ কথা ও কাম কাজৰ দ্বাৰা যীশুক প্ৰকাশ কৰিছানে ? বা মানুহৰ আগত তেনেকৈ কৰিবলৈ লাজ পাইছা ? যীশুৱে কলে, ' মানুহৰ আগত যি জনে অস্বীকাৰ কৰে, স্বৰ্গত থকা মোৰ পিতৃৰ আগত ময়ো তেওঁক অস্বীকাৰ কৰিম।' ( মথি ১০:৩২:৩৩ )

যীশুৱে আকৌ কলে, 'যিজনে নিজৰ ক্ৰুচলৈ মোৰ পাছে পাছে নাহে তেৰোঁ মোৰ যোগ্য নহয়।' ( মথি ১০:৩৮ ) ধন্য সেইসকল, যি সকলে শিলত অৰ্থাৎ যীশুত বিশ্বাস কৰি থাকে।

" সৰ্ব্বযুগৰ শিলা মোৰ
তোমাত পাওঁ স্থল আশ্ৰয়ৰ।
তেজ ও পানী নিজৰি
ওলোৱা বুকু ভেদি
পাপ ব্যাধিৰ মহৌষধি
কৰা নিৰ্ম্মল ধুই শুচি।"

# পঞ্চম ছবি

এই ছবিয়ে ঈশ্বৰৰ প্ৰচুৰ কৃপা আৰু দয়াৰ দ্বাৰা উদ্ধাবিত, পুৰস্কৃত আৰু শুচী পাপাৰ হৃদয়ক দেখুৱাই দিছে। এইটোৱে হৈছে ঈশ্বৰৰ




প্ৰকৃত মন্দিৰ, পিতৃ, পুত্ৰ ও পৱিত্ৰ আত্মা ঈশ্বৰৰ নিবাস স্থান। প্ৰভু যীশুখ্ৰীষ্টৰ প্ৰতিজ্ঞা মতে 'কোনোৱে যদি মোক প্ৰেম কৰে, তেন্তে তেওঁ মোৰ বাক্য পালন কৰিব লাগিব। মোৰ পিতৃয়ে তেওঁক প্ৰেম কৰিব ও আমি আহি তেওঁৰ সৈতে বাস কৰিম।' (যোহন ১৪:২৩) ঈশ্বৰে যীশুখ্ৰীষ্টৰ দ্বাৰা মানুহক সন্মান, আশীৰ্ব্বাদ ও উদ্ধাৰ কৰে। (লূক ১:৫২)

হৃদয়েই হৈছে ঈশ্বৰৰ প্ৰকৃত মন্দিৰ। পাপক বাহিৰ কৰা হৈছে। বহুবিধ জন্তুৱে চয়তান, অসত্যতাৰ পিতৃৰ দ্বাৰা দমন কৰা সলনি পবিত্ৰ আত্মা অৰ্থাৎ সত্যৰ আত্মাই হৃদয়ত বাস, কৰা আমি দেখো । ঘৃনণীয় পাপৰ বসতি হোৱা পৰিবৰ্ত্তে হৃদয়ে সুন্দৰ ফলবান শষ্যা বা বাগিচা হৈ আত্মাৰ ফল দিয়ে। যেনে প্ৰেম, আনন্দ, শান্তি নম্ৰতা, দীঘলীয়া কষ্ট, ভদ্ৰতা, সাধুতা, বিশ্বাস, নম্ৰ, স্বাভাৱ যি বোৰ ঈশ্বৰ সন্তোষ্ট হোৱা গুন, তেওঁ এতিয়া প্ৰকৃত দাক্ষলতা, আমাৰ প্ৰভু যীশুখৃষ্টৰ ফলবান ভাল হৈছে ফলবানৰ গুপ্তকথা সেয়ে যে তেওঁ যীশুত আৰু খ্ৰীষ্ট, তেওঁৰ বাক্য তেওঁ বাস কৰে। ( যোহন ১৫:১-১০ ) তেওঁ পৱিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ দীক্ষিত হোৱাৰ বাবে দৈহিক শক্তি আৰু তাৰ কামভাৱক দমন কৰিব আৰু পুৰণি মানুহক ক্ৰুচবিদ্ধ কৰিবলৈ তেওঁৰ ক্ষমতা আছে। পবিত্ৰ আত্মাৰ ক্ষমতাৰে তেওঁ আত্মাত খোজ কাঢ়িবলৈ বাধ্য হয় আৰু দৈহিক শক্তি অতিক্ৰম কৰিব পাৰে। তেওঁ যি দেখে শুনে, অনুভৱ কৰে, এইবোৰৰ দ্বাৰা জীৱন যাপন কৰে এনে নহয়, বৰঞ্চ বিশ্বাসেৰে কিয়নো যীশুখ্ৰীষ্টত বিশ্বাসে জয়লাভ কৰি দেহক অতিক্ৰম কৰে। তেওঁ নিশ্চত আৰু জীৱন্ত আশাৰে জীয়াই থাকে, আমাৰ প্ৰভু যীশুখৃষ্টৰ প্ৰত্যাগমণৰ গৌৰান্বিত আশাৰে সবল হয় । তেওঁ চিৰকাললৈকে থকা ঈশ্বৰৰ প্ৰেমৰ দ্বাৰা জীয়াই থাকে " নিৰ্মল চিত্তৰ মানুহ বিলাক ধন্য, কিয়নো তেওঁ বিলাকে ঈশ্বৰৰ দৰ্শণ পাব। " ( মথি ৫: ৮ ) দাউদ ৰজাই তেওঁৰ সমস্ত ধন সম্পতি আৰু বাহিৰা শত্ৰুবিলাকৰ ওপৰত জয়লাভ কৰিলেও জানিছিল যে আটাইতকৈ ডাঙৰ ৰণ তেওঁৰ হৃদয়ত চলিছিল আৰু তেওঁৰ অন্তৰৰ গভীৰ আৱশ্যকতা জানি প্ৰাৰ্থনা কৰিছিল " হে ঈশ্বৰ, মোৰ শুদ্ধ মন সৃষ্টি কৰা, মোৰ অন্তৰত সুস্থিৰ আত্মা পুণৰায় জন্মোৱা " ( গীতমালা ৫১ : ১০ ) কোনেও নিজৰ অন্তৰ শুদ্ধ কৰিব নোৱাৰে বা নিজৰ অন্তৰত নতুন হৃদয় সৃষ্টি কৰিব নোৱাৰে, কেৱল প্ৰকৃত অনুতাপেৰে দাউদৰ দৰে ঈশ্বৰৰ ওচৰ চাপিলে আৰু তেওঁৰ অন্তৰত নতুন হৃদয় সৃষ্টি কৰিবলৈ প্ৰাৰ্থনা কৰিলে ঈশ্বৰে তেওঁৰ জীৱন নতুন কৰিবলৈ উৎকণ্ঠিত হয় । তোমাৰ জীৱনৰ ধাৰ্মিকতাৰ ফটা চিটা

Copyright ANGP

পোছাক কেৱল প্ৰতিজ্ঞা আৰু সূতাৰে চিলাই কৰিলে তোমাৰ অন্তৰ ঈশ্বৰৰ বাবে নিবাস স্থান নহয়। তেওঁ কেৱল আমাক সহায় কৰিবলৈহে সন্মত, কিয়নো তেৱেঁই প্ৰতিজ্ঞা কৰি কৈছিল, "মই তোমালোকৰ ওপৰত শুচি জল চটিয়াম তাতে তোমালোক শুচি হবা ; মই তোমালোকৰ সকলো অশৌচৰ পৰা, তোমালোকৰ আটাই মূৰ্ত্তিৰ পৰা তোমালোকক শুচি কৰিম। মই তোমালোকক এক নতুন হৃদয় দিম, তোমালোকৰ অন্তৰত এক নতুন আত্মা স্থাপন কৰিম। মই তোমালোকৰ শৰীৰৰ পৰা শিলস্বৰূপ মন গুচাই তোমালোকক মাংসস্বৰূপ মন দিম। মই তোমালোকৰ অন্তৰত মোৰ আত্মা স্থাপন কৰি তোমালোকক মোৰ বিধিমতে চলাম। যাতে তোমালোকে মোৰ শাসন প্ৰণালীবোৰ পালন কৰি সেইমতে কাৰ্য্য কৰা।' (যিহিস্কেল ৩৬ঃ২৫-২৭) নতুন নিয়মৰ অৰ্থ এইটোৱেই, যিটো ভগৱানে তেওঁৰ পুত্ৰ যীশু খ্ৰীষ্টৰ তেজেৰে দৃঢ় কৰিলে।


এই ছবিত দেৱদূত পুনঃ উপস্থিত হোৱাটো আমি দেখো। অনন্ত জীৱন অধিকাৰ কৰোতাৰ পৰিচৰ্য্যা কৰিবলৈ ও ঈশ্বৰলৈ ভয় কৰাটোক চাৰিওফালে আবৰি থাকিবলৈ দেৱদূত সকলক নিযুক্ত কৰিছে। (গীত ৩৪ঃ৭ ; ১১ঃ২১, কৰ্ম্ম ৫ঃ১৯ ; ১২ ; ৭-১০, দানিয়েল ৬ঃ২২, মথি ২ঃ১৩ ; ১৩ঃ৩৯ ; ১৮ঃ১০ )।

হৃদয়ৰ কাষতে থাকি আগৰ বাসস্থানত পুনৰায় প্ৰৱেশ কৰিবলৈ চেলু বিচাৰি খাপ লৈ থকা চয়তানকো এই ছবিত দেখা গৈছে। গতিকে আমাক নিয়মমতে প্ৰাৰ্থনা কৰিবলৈ কোৱা হৈছে। কিয়নো 'গুজৰি থকা সিংহৰ দৰে তোমালোকৰ শত্ৰু চয়তানে কাক কেনেকৈ গ্ৰাস কৰিব পাৰে তাৰ উপায় বিচাৰি ফুৰিছে।' (১ পিতৰ ৫ঃ৮) বাৰে বাৰে চয়তানে জ্যোতিৰ দেৱদূতৰ বেশ ধৰি পৰ দি নথকা সাধু সাধ্বীসকলক এই সংসাৰৰ কামনাৰে প্ৰতাৰণা কৰে আৰু তেওঁৰ ধূৰ্ত্তালিৰ চেষ্টা কৰি ঈশ্বৰৰ ভক্ত ব্যক্তিক প্ৰৱঞ্চনা কৰে। (জেমচ ৪ঃ৭)

## ষষ্ঠ ছবি

ষষ্ঠখন ছবি হৈছে পাচ হোহোকাৰ শোচনীয় ছবি। চকু এটা ঢাকিবলৈ আৰম্ভ কৰি দেখুৱাই দিছে যে তেওঁৰ খ্ৰীষ্টিয় জীৱনত নিৰুৎসাহী আৰু

নিদ্ৰালু হবলৈ আৰম্ভ কৰিছে আনহাতে তন্দ্ৰাটো চকুৰে নিলাজভাৱে চাৰিওফালে চাই সংসাৰৰ আনন্দ উপভোগ কৰিব বিচাৰিছে। অন্তৰৰ পোহৰ সলনি হৈছে। খ্ৰীষ্টৰ সৈতে কষ্ট ভোগ কৰিবলৈ তেওঁৰ ইচ্ছা দেখুৱাই দিয়া, হৃদয়ৰ চিহ্নবোৰ হ্ৰাস হয় আৰু পোন হৈ নাথাকে।




তেওঁক প্ৰলোভনৰ দ্বাৰা বেৰি ধৰা হৈছে। ঈশ্বৰৰ কথা শুনাৰ সলনি তেওঁ এতিয়া চয়তানৰ ধূৰ্ত্ত পৰামৰ্শ ও ভুল প্ৰতিজ্ঞাবোৰত কাণ দিছে। সাংসাৰিকতাক তেওঁৰ ধৰ্ম্মৰ পোছাকৰ মাজত লুকাই ৰাখি গীৰ্জ্জালৈ যোৱা মানুহ হলেও তেওঁৰ হৃদয়ত ঈশ্বৰৰ প্ৰেম ভাৱ নাই। তেওঁ দুটা মনৰ দুটা মতৰ মাজত থাকে। তেওঁ সংসাৰৰ লগত ব্যস্ত থাকে,

ঈশ্বৰৰ প্ৰেম কৰে বুলি প্ৰৱঞ্চনা কৰে। তেওঁৰ হৃদয়ত থকা তৰা অৰ্থাৎ বিবেক জ্যোতিহীন হয়। হাঁহি মুখেৰে ক্ৰুচ বহন নকৰে, কিন্তু ই অবাঞ্চিত গধুৰ বোজা হয়, তেওঁৰ বিশ্বাস অদৃঢ় হয়। প্ৰাৰ্থনাত তেওঁ ঈশ্বৰৰ লগত মিলি যাব নোৱাৰে, আওকণীয়া হয়, তেওঁৰ হৃদয়ৰ অৱস্থাৰ বিষয়ে চিন্তিত নহয় ও ক্ৰমাৎ হৃদয়ৰ বাহিৰত লুকাই থকা চয়তানক ঠাই উলিয়াই দিয়ে। তেওঁ প্ৰকৃত ভগৱান বিশ্বাসী সকলৰ সঙ্গতকৈ পাৰ্থিৱ সঙ্গত পৰম তৃপ্তি লাভ কৰে।

অহঙ্কাৰ অনুৰূপ কৰা ম'ৰা চৰাইৰ উৎসাহে প্ৰৱেশ স্থান বিচাৰিবলৈ আৰম্ভ কৰে। তেওঁ পাহৰি যায় যে তেওঁ মাত্ৰ কৃপাৰ দ্বাৰা মুক্তিলাভ কৰিছিল আৰু অহঙ্কাৰী খ্ৰীষ্টীয় হয়। মাতলামিয়ে হৃদয়ৰ দুৱাৰত টুকুৰীয়ই প্ৰৱেশ স্থান বিচাৰে। এইটো বিশেষ আৱশ্যকত পাৰ্থিৱ বন্ধুসকলৰ সঙ্গত য'ত তেওঁ অসাধাৰণ, নিৰ্ব্বলী বুলি ভাবিবলৈ লাজ কৰিছে যে চয়তানে তেওঁক কয় যে এই এটা সুযোগ তেওঁৰ আত্মিক জীৱনক আঘাত নকৰে, কামেচ্ছা আৰু কামভাৱে নিজকে বিভোৰ কৰায়। কেতিয়াবা তেওঁলোক অনীতিৰ ইংগিত বোৰ উপভোগ কৰে অনীতিৰ ছবিবোৰ বাৰে বাৰে আনন্দৰ চোৱা আৰু অনীতিৰ সঙ্গত তৃপ্তি পোৱা নৃত্যমন্দিৰৰ শোভা-যুক্ত ৰং ধেমালিত সহায় কৰা চয়তানৰ পৰা অনিষ্টকাৰী পৰামৰ্শ লোৱা যি চয়তানে তেওঁক কয় যে এইটো স্বভাৱ আৰু এই পাপ, পাপ নহয়

প্ৰকৃততে যদি কোনো অশুচি আৰু অনিষ্টকাৰী চিন্তা কৰা বনৰীয়া চৰায়ে আমাৰ মূৰৰ ওপৰেদি উৰিগলে আমি একো কৰিব নোৱাৰো, তথাপিও যদি আমি এইবোৰক আনি হৃদয়ত বাহঁ সাজিবলৈ দিওঁ আৰু সিহঁতৰ কুকৰ্ম্মক উমনি দিবলৈ সুবিধা দিওঁ তেন্তে আমি দোষী হম। চয়তানক যদি আমাৰ সৰু আঙুলি এটা দিওঁ তেওঁ নিশ্চয় গোটেই হাতখন খামোচ মাৰি ধৰে আৰু অনন্ত নৰকলৈ আত্মা আৰু প্ৰাণক টানি নিব খোজে। গতিকে ঈশ্বৰৰ গহীন সতৰ্ক বাণী এয়ে যে কহ কহীয়া কামভাৱৰ পৰা আতৰি থকা আৰু যি কোনো আকৃতিৰ পাপৰ লগত নেখেলিবা, যীশু উদ্ধাৰ কৰ্ত্তা, জয়কাৰীৰ ওচৰলৈ পলাই যোৱা।

এই ছবিত মানুহ এজনে হাতৰ যাঠিৰে হৃদয়ক খোচা দেখিব পাৰে

Copyright ANGP

যি খ্ৰীষ্টান ধৰ্ম্মৰ আপত্তিকাৰক আৰু নিন্দা কৰোতাৰ বিষয়ে কয়। তেওঁলোকৰ অপবাদ জনক জিভাবোৰ আৰু নিন্দাৰ ওঁঠবোৰৰ দ্বাৰা তেওঁলোকে খ্ৰীষ্টিয় সকলৰ হৃদয়ক খোচ দি আঘাত কৰে এনেকুৱা আক্ৰমনত এখন হৃদয় জীয়াই থাকিব নোৱাৰে। ঈশ্বৰতকৈ তেওঁ মানুহক বেছি ভয় কৰে আৰু মানুহ বিলাকে যি কব আৰু কৰিব এই ভয়ত তেওঁ মানুহ বিলাকৰ দাস হয় আৰু ভগবানৰ পৰা আতৰি যায়। আপদ বিপদ আৰু নিৰাশাৰ সময়ত ভূ-নোপোৱালোকে বগাই সোমায় আৰু যদি সুযোগ পাই তেন্তে ঈৰ্ষা আৰু অহংকাৰক দুৱাৰ খুলি দিয়ে।


ধনৰ প্ৰেমক আমাৰ হৃদয়ত সোমাবলৈ সিমান সহজ যদি আমাৰ প্ৰভু যীশুৰ সতৰ্কিত বাণী শুনাই যেতিয়া তেওঁ কয়, " পৰীক্ষাত যেন অকৃতকাৰ্য্য নোহোৱা এই নিমিত্তে ভক্তি সহকাৰে প্ৰাৰ্থনা কৰা (মথি ২৬ ; ৪১) " এই কাৰণে যি কেনোৱে থিৰে আছো বুলি ভাৱে তেওঁ যেন নপৰে, তাৰ নিমিত্তে সাৱধান হওক। " ( ১ কুৰিন্থীয়া ১০ঃ১২ " চয়তানৰ নানাবিধ কুকল্পনাৰ সন্মুখত থিৰে থাকিবলৈ সমৰ্থ হবৰ কাৰণে ঈশ্বৰৰ আটায়ে সাজ পিন্ধা ( ইফিচীয়া ৬ঃ১১-১৮ )

## সপ্তম ছবি

এই ছবিয়ে মানুহৰ পাচ হোঁহকা হৃদয়ৰ অৱস্থা ব্যক্ত কৰিছে তাতে তেওঁ এবাৰ স্বৰ্গীয় দান আস্বাদন কৰাৰ পিছত আৰু পৱিত্ৰ আত্মাৰ ভাগী কৰাৰ পিছত তেওঁৰ পতন হৈছিল। এইটো যীশুৰ বাণীৰ সত্যতা অৰ্থাৎ " শুভবাৰ্ত্তা " তেওঁক শুনাই দিয়া আৰু ব্যক্ত কৰাৰ পিচতো কেতিয়াও অনুতাপ নকৰা বা ঈশ্বৰৰ হাতত শোধাই নিদিয়া মানুহৰ অৱস্থা দেখুৱাই দিয়ে। ঈশ্বৰে তেওঁক জবাব কৰাৰ সময়ত যদি এজন মানুহে তেওঁৰ হৃদয় কঠিন কৰে তেন্তে তেওঁ বেয়া হৈ যায়, তেওঁৰ সংশোধনৰ শুদা চেষ্টাৰ পিচতও।

পাচ হোহোকাৰ বিষয়ে যীশুৱে মন্তব্য এইমতে প্ৰকাশ কৰিছিল, 'যেতিয়া অশুচি আত্মা কোনো মানুহৰ পৰা ওলাই যায়, তেতিয়া সি

পানী নথকা ঠাইবোৰত ফুৰি ফুৰি জিৰণি বিচাৰে, তাকে নাপায় সি কয়, 'মই যি ঘৰৰ পৰা ওলাই আহিলো সেই ঘৰলৈকে উলটি যাম, পাছে আহি তাক সৰা পোছা আৰু সজোৱা-পৰোৱা দেখে। তেতিয়া সি গৈ নিজতকৈও দুষ্ট আন সাতটা আত্মা লগত লৈ তাতে সোমাই




নিবাস কৰে। সেই মানুহৰ শেষ অৱস্থা প্ৰথম অৱস্থাতকৈও বেয়া হৈ যায়। ( লুক ১১:২৪-২৬ ) কুকুৰে নিজৰ বান্তিলৈ আৰু ধুউৱা গাহৰিয়ে বোকাত লেটি লবলৈ আকৌ উলটি যায়। এই উদাহৰণ তেওঁলোকৰ ক্ষেত্ৰটো খাটে।'

উল্লেখিত শাস্ত্রপাঠে পাছ হোহোকাৰ বা অনুতাপ নকৰা পাপীৰ হৃদয়ৰ অৱস্থা স্পষ্ট ভাৱে ব্যাখ্যা কৰে। পাপে তাৰ সমস্ত প্ৰৱঞ্চকতাৰে মানুহৰ হৃদয়ত এবাৰ থাকিবলৈ আৰু শাসন কৰিবলৈ বিচাৰে। তেওঁৰ চেহেৰাইও তেওঁৰ হৃদয়ৰ অৱস্থা নিৰ্দিষ্ট পৰিমাণে ব্যক্ত কৰে। পৱিত্ৰ আত্মাই অৰ্থাৎ নম্ৰ স্বভাৱৰ পাৰ চৰাই। হৃদয় খন এৰি দিব লাগব কিয়নো পাপ আৰু পৱিত্ৰ আত্মাই একেলগে বাস কৰিব নোৱাৰে। হৃদয়ক একে সময়ত ঈশ্বৰৰ মন্দিৰ আৰু চয়তানৰ গুহা হবলৈ কেতিয়াও দিব নোৱাৰি। দেৱদূত ও ভগৱানৰ বাক্য বিৰক্তিৰে প্ৰস্থান কৰিব লাগে। পিছে চাই থাকি আশা কৰে যে খৰছি পুত্ৰকৰ নিচিনা তেওঁ বা তাই অনুতাপ কৰিব। 'তাতে সি গাহৰিয়ে খোৱা ছেইৰে তৃপ্ত হবলৈ হেঁপাহ কৰিলেও তাক কোনেও একো নিদিলে। শেষত সি চেতনা পায় কলে, মোৰ পিতৃৰ কত চাকৰে জোৰাকৈ আৰু তাতকৈও অধিক খোৱা বস্তু পাইছে। কিন্তু মই ইয়াত ভোকতে মৰিছো। মই বোপাইৰ তালৈ গৈ এই কথা কম, বোপাই! স্বৰ্গৰ অহিতে ও আপোনাৰ ওচৰত মই পাপ কৰিলো। আপোনাৰ পুত্ৰ বুলি কোৱাৰ যোগ্য নহওঁ। (লুক ১৫:১৬-১৯) তেওঁৰ বাপেকে তেওঁৰ অনুতাপী পুত্ৰেকক দেখি ক্ষমা কৰিলে আৰু আকৌ পুত্ৰ হিচাবে ললে।

এই ছবিখনত হৃদয়ে প্ৰকৃত অনুতাপেৰে ঈশ্বৰৰ ওচৰলৈ উভটি যোৱা যীশুৰ চৰণত ক্ষমা প্ৰাৰ্থনা কৰা কোনো সঙ্কট নেদেখুৱাই। তেওঁৰ বিবেক জ্বলা লোৰে পোৰা ও নিমাত কৰাৰ নিচিনা তেওঁৰ কাণ আছে কিন্তু যীশুৰ নিবেদন শুনিব নোৱাৰে, চকু আছে কিন্তু ভৱিৰ তলতে থকা অতল নৰকুণ্ড নেদেখে। পাপতে মজি থাকিবলৈ তেওঁ কোনো লাজ নাপায়। চয়তানে তেওঁৰ হৃদয় শাসন কৰিবলৈ আহিছে ও তেওঁ বজাৰ দৰে অন্তৰৰ সিংহাসনত বহি আছে। এইটো সম্ভৱ যে বাহিৰে দেখাত তেওঁ বিচক্ষণ, সম্ভ্ৰান্ত, ধাৰ্মিক আৰু মাননীয় বুলি বৰাই কৰিব পাৰে। বগাকৈ লিপা মৈদামৰ নিচিনা, 'কিন্তু ভিতৰফালে মৰা মানুহৰ হাড় আৰু সকলো প্ৰকাৰৰ মলিৰে পৰিপূৰ্ণ।' (মথি ২৩:২৭)

অসত্যতাৰ পিতৃয়ে সত্যতাৰ আত্মাৰ স্থান দখল কৰে। প্ৰত্যেক জন্তু



Copyright ANGF


প্ৰতিটো পাপ বিশেষ এটা ভূত আৰু অশুচি আত্মাই আহি তেওঁৰ হৃদয় দখল কৰে। এই নীচ যাতনা দিয়া সকলৰ পৰা নিজকে ৰক্ষা কৰিব বিচাৰিলেও এইবোৰে তেওঁক বেৰি ধৰি ৰাখে। 'যিজনে যীশুৰ বিধান অৱহেলা কৰে তেওঁ দুই তিনি সাক্ষীৰ প্ৰমাণেৰে, বিনা কৰুণাৰে মৰিব লগা হয়। তেন্তে ভগৱানৰ পুত্ৰক যি জনে ভৰিৰে গচকে, যি তেজৰ দ্বাৰাই তেওঁ পৱিত্ৰাকৃত হৈছিল তাক অশুচি কৰে আৰু অনুগ্ৰহৰ আত্মাৰ অপমান কৰে তোমালোকৰ বিবেচনাৰ দৰে, তেওঁ তাতকৈ কিমান দুৰ্ঘোৰ দণ্ডৰ যোগ্য পাত্ৰ বুলি গণিত হব।' ( ইব্ৰী ১০ঃ২৮ - ২৯ ; ২ পিতৰ ২ঃ১ - ১৪ )

এই ছবি যদি তোমাৰ হৃদয়ৰ অৱস্থাৰ সমান হয়, তেন্তে প্ৰিয় বন্ধু পলম নকৰি তোমাৰ অন্তৰৰ তলিৰ পৰা ঈশ্বৰক প্ৰাৰ্থনা কৰা, 'তেওঁ সম্পূৰ্ণকৈ ৰক্ষা কৰিব পাৰে।' যদি তুমি প্ৰকৃত অনুতাপৰ মনেৰে আহাঁ তেন্তে তেওঁ সকলো পাপ ক্ষমা কৰিবলৈ সন্মত হব। তেওঁ চয়তান আৰু অন্ধকাৰৰ সমস্ত সেনাদলক বান্ধি ৰাখিব পাৰে আৰু তোমাৰ হৃদয়ৰ পৰা আঁতৰ কৰিব পাৰে, যদি তুমি তেওঁক তেনে কৰিবলৈ দিবলৈ সন্মত হোৱা আৰু যীশুৰ ওচৰলৈ আহি কুষ্ঠৰোগী মানুহৰ নিচিনাকৈ কোৱা, 'আপুনি যদি ইচ্ছা কৰে তেন্তে মোক শুচি কৰিব পাৰে।' যীশুৱে উত্তৰ দিলে, 'মই ইচ্ছা কৰিছো, তুমি শুচি হোৱা।' ( মাৰ্ক ১ঃ৪০-৪১) কিন্তু যদি তুমি তোমাৰ হৃদয় কঠিন কৰি ৰাখা, পোহৰতকৈ যদি অন্ধকাৰক বেছি ভাল পোৱা তেন্তে কোনো আশা ও সহায় নোপোৱা, তুমি জীৱনৰ পৰিবৰ্ত্তে মৃত্যুহে বাছি লৈছা। 'কিয়নো পাপৰ মূল্য মৃত্যু।' ( ৰোমিয়া ৬ ঃ ২৩ )

## অষ্টম ছবি

ইয়াত আমি পাছলৈ হোহকি থকা বা কঠোৰ পাপীয়ে মৃত্যুৰ ওচৰ চপা দেখোঁ। তেওঁৰ শৰীৰ বিষপূৰ্ণ হব পাৰে আৰু আত্মাই মৃত্যুৰ ভয়ত থাকে, মৃত্যুৱে জকাঁ আশা কৰি নাথাকে ও অনাৱশ্যকীয় সময়ত আহে। পাপৰ প্ৰৱঞ্চক ৰঙবোৰ নাইকীয়া হ'ল। ওপৰৰ ভয়ঙ্কৰ সত্যতা আৰু পাপৰ ভয়ানক মূল্যৰ এতিয়া সন্মুখীন হব লাগে। তেওঁ এতিয়া প্ৰাৰ্থনা

কৰিবলৈ হেঁপাহ কৰিলেও গম পায় যে তেওঁ ঈশ্বৰৰ লগত সম্বন্ধ ৰাখিব নোৱাৰে। যাৰ প্ৰেম বহুত সময়লৈকে অৱহেলা কৰিছিল। আগৰ বন্ধুবিলাক তেওঁৰ বিচনাৰ কাষত থাকিবলৈও ভয় কৰে; তেওঁলোকৰ আন্তৰিকতাহীন শান্তনাই এতিয়া তেওঁক সহায় নকৰে। অন্যায়ভাৱে



পোৱা ধন-সম্পত্তিয়ে তেওঁৰ আয়ুস বঢ়াব নোৱাৰে, আত্মা ৰক্ষা কৰিব নোৱাৰে আৰু আত্মাৰ যান্ত্ৰণাও লাঘৱ কৰিব নোৱাৰে। ভগৱানৰ ওচৰত তেওঁ মন স্থিৰ কৰিব নোৱাৰে, কিয়নো তেনে কৰিবলৈ চয়তানে তেওঁক কোনো সুযোগ নিদিয়ে।

তেওঁ এক সময়ত ভালপোৱা সকলো বস্তু আৰু যাৰ বাবে জীয়াই


আছিল, এইবোৰ তেওঁ ঠাট্টা কৰা যেন দেখে। অবিশ্বাসী, অপৰিবৰ্ত্তিত ভেড়াবক্ষকে তেওঁক এতিয়া সহায় কৰিব নোৱাৰে, কিয়নো ভগৱানৰ কৃপা তেওঁ অৱহেলা কৰিছিল আৰু আইনৰ দণ্ড বিধানত পৰিছিল। তেওঁ অনুভৱ কৰিব যে, "জীৱনময় ভগৱানৰ হাতত পৰা অতি ভয়ঙ্কৰ কথা" ( ইব্ৰী ১০:৩১ )। কোনো এটা সুবিধাজনক দিনত নাইবা মৃত্যুৰ শয্যাত তেওঁ ভগৱানৰ ওচৰলৈ হিচাব-নিকাচ কৰিব বিচাৰিছিল, কিন্তু এতিয়া বুজিব পাৰিলে যে এইটো অতি পলম হৈ গ'ল। হেজাৰ হেজাৰ মানুহ হঠাৎ মৃত্যু হয়, তেওঁলোকে মৃত্যু শয্যাত ভগৱানৰ ওচৰ পোৱাৰ সুযোগ নাপায়। গতিকে যেতিয়া ভগৱানক পায় তেতিয়াই তেওঁক বিচৰা আৰম্ভ ক, ঈশ্বৰৰ শান্তনা আৰু পৰিত্ৰাণৰ বাণী শুনাৰ সলনি এই মৃত্যুমুখী পাপীয়ে অনুগ্ৰহ ও ঈশ্বৰৰ প্ৰেম তেওঁৰ জীৱন কালত ত্যাগ কৰি এতিয়া তেওঁৰ বিচাৰক আৰু ত্ৰাণকৰ্ত্তাৰ বাণী শুনিব লাগে যাক তেওঁ ত্যাগ কৰিছিল। 'হেৰ শাওৰে পোৱা চয়তানহঁত! দূতবোৰৰ নিমিত্তে যুগুত কৰি থোৱা অনন্ত জুইলৈ মোৰ ওচৰৰ পৰা গুচি যাহঁক।' ( মথি ২৫:৪১ ) যেনেকৈ এবাৰ মাথোন মৰিবলৈ, তাৰ পাছত বিচাৰ মানুহৰ নিমিত্তে ধাৰ্য্য কৰা আছে। ( ইব্ৰী ৯:২৭ )

## নৱম ছবি

এই ছবিয়ে উগ্ৰ পৰীক্ষা আৰু প্ৰলোভন বোৰক সহ্য ও অতিক্ৰম কৰা খ্ৰীষ্টিয়ক বুজায়। চাৰিওফালৰ পৰা প্ৰলোভন দেখুৱা সময়ত তেওঁ স্থিৰে থাকে আৰু শেষলৈকে সহ্য কৰে, কিয়নো যীশুখ্ৰীষ্টৰ দ্বাৰা তেওঁ জয়কাৰীতকৈ শ্ৰেষ্ঠ খ্ৰীষ্টিয় দৌৰত মাথোন ভৰ্ত্তি হয় এনে নহয়, বৰং তেওঁ তাত অবিৰতভাৱে সোঁ বা বাওঁফালে নোচোৱাকৈ ধৈৰ্য্যৰে আগবাঢ়ে। কিন্তু "আমি আমাৰ বিশ্বাসৰ আদি ও সিদ্ধিকৰ্ত্তা যীশুলৈ চাই থাকোহঁক। ( ইব্ৰী ১২:২ )

চয়তানে নিজৰ সৈন্যবাহিনীৰ সৈতে বিশ্বাসী হৃদয়ক বেৰি ধৰে আৰু ঈশ্বৰৰ সন্তানক অবাবত অবাটে চলাবলৈ চেষ্টা কৰে। অহঙ্কাৰ, ধনৰ লোভ, অনীতিৰ ভূত আৰু অন্যথাই অনুৰূপিত হৈছে। নাহৰ ফুটুকী বাঘৰ ঠাইত এতিয়া আমি এটা গাধ দেখো। পাপে বাৰে বাৰে বেলেগ বেলেগ

ৰূপ ধৰি আমাৰ ওচৰলৈ আহে আৰু বেলেগ বেলেগ নামত বা সাজত লুকাই থাকে। কিন্তু খ্ৰীষ্টানে পাপ ধৰ্ম্মৰ পোচাকত আহিলেও নাইবা পোহৰৰ দেৱদূতৰ বেশত আহিলেও চিনি পায় কাৰণ ঈশ্বৰৰ বাণী আৰু সত্যৰ আত্মাই সত্যলৈ আগুৱাই নিয়ে। এজন মানুহে এটা মদৰ




গিলাচ হাতত লৈ খ্ৰীষ্টিয়ৰ চাৰিওফালে নাচ কৰে আৰু পাৰ্থিব ৰঙ্গবোৰৰ দ্বাৰা প্ৰলোভন দেখুৱাবলৈ চেষ্টা কৰে। কিন্তু এইটোৱে অভিষিক্ত খ্ৰীষ্টৰ ওপৰত কোনো কাম নকৰে, কিয়নো খ্ৰীষ্টৰ সৈতে তেওঁ পাপৰ প্ৰতি আৰু সংসাৰলৈ ক্ৰুচবিদ্ধ হৈছে। দ্বিতীয় মানুহজনে এই ছবিত খ্ৰীষ্টিয়ক

হাতত যাঠিবে হানে। বেয়া কথা কোৱা, টোটক নাটক, ঠাট্টা কৰা ঈশ্বৰৰ শত্ৰু বিলাকৰ দ্বাৰা ধমকি দিয়াবোৰ আৰু বাৰে বাৰে বিশ্বাসী বুলি কোৱা সকলৰ দ্বাৰা প্ৰকৃত বিশ্বাসীৰ হৃদয় ঘনে ঘনে হানে। কিন্তু তেওঁ মানুহ বিলাকৰ কোৱা কথাক মুল্য নিদিয়ে, মাত্ৰ ঈশ্বৰে কোৱা কথাক চিন্তা কৰে। তেওঁ যীশুৰ কথা মনত পেলায়, "যেতিয়া মানুহ বিলাকে মোৰ কাৰণে তোমালোকক নিন্দা ও তাড়না কৰিব, তোমালোকৰ অহিতে মিছাকৈ সকলো প্ৰাকাৰৰ কু-কথা কব, তেতিয়া তোমালোক ধন্য। আনন্দ কৰা ও উল্লাহিত হোৱা, কিয়নো স্বৰ্গত তোমালোকৰ পুৰস্কাৰ অধিক আছে। ( মথি ৫:১১,১২ )

পাপ, নিজৰ দেহ ও চয়তানে খ্ৰীষ্টিয়ক ঈশ্বৰৰ প্ৰেমৰ পৰা বেলেগ কৰিবলৈ বাৰে বাৰে তেওঁলোকৰ যথা সাধ্য চেষ্টা কৰে। কিন্তু বৰ আনন্দ ও বিশ্বাসেৰে তেওঁ প্ৰকৃত ৰূপ কব পাৰে, "খ্ৰীষ্টৰ প্ৰেমৰ পৰা কোনে আমাক বিচ্ছিন্ন কৰিব পাৰে ? ক্লেশ বা সঙ্কট, তাড়না বা আকাল, বস্ত্ৰহীনতা বা প্ৰাণ সংশয় বা তৰোৱাল এইবোৰ পাৰিবনে ? তথাপি আমাক ভালপোৱা জনাৰ দ্বাৰাই এই সকলো কথাত আমি জয়তকৈও জয়যুক্ত।" ( ৰোমীয় ৮:৩৫, ৩৭ ) ঈশ্বৰৰ বৰ্ম্ম পিন্ধি বেয়া দিনত তেওঁ থিয় হৈ থাকিব পাৰে, যীশুখ্ৰীষ্টৰ দ্বাৰা সকলো প্ৰলোভন অতিক্ৰম কৰিব পাৰে। যি জনে সকলো প্ৰলোভন ও পৰীক্ষা অতিক্ৰম কৰে তেওঁৰ দ্বাৰা আমিও সকলো বাধা অতিক্ৰম কৰি গৌৰৱৰ মুকুট লাভ কৰিব পাৰো।

তেওঁৰ বিবেক তৰা স্পষ্ট ও উজ্জ্বল, তেওঁৰ হৃদয় বিশ্বাসপূৰ্ণ আৰু পৱিত্ৰ আত্মাৰে পৰিপূৰ্ণ। দেৱদূতে ঈশ্বৰৰ বাণীৰ দৰে তেওঁলোকক দিয়া মুল্য-বান প্ৰতিজ্ঞাবোৰৰ বিষয়ে তেওঁৰ মনত পেলাই সকলো অতিক্ৰম কৰে আৰু শেষলৈকে সহ্য কৰে। "যি জনে জয় কৰে, তেওঁ দ্বিতীয় মৃত্যুৰ দ্বাৰাই আঘাত প্ৰাপ্ত নহব। যি জনে জয় কৰে, তেওঁক মই গুপুত মান্না আৰু এটি বগা শিলো দিম, সেই শিলৰ ওপৰত এটি নতুন নাম লিখা থাকিব।" যি জনে জয় কৰি শেষলৈকে মোৰ কৰ্ম্মবোৰ পালন কৰে তেওঁক ক্ষমতা দিম। "যিজনে জয় কৰে, তেৱেঁা সেইদৰে

বগা বস্ত্রেৰে বিভূষিত হব আৰু মই জীৱন পুস্তকৰ পৰা তেওঁৰ নাম আঁতৰ নকৰো ; কিন্তু মোৰ পিতৃৰ সাক্ষাতে ও তেওঁৰ দূত বিলাকৰ সাক্ষাতে তেওঁৰ নাম স্বীকাৰ কৰিম।" যি জনে জয় কৰে তেওঁক মোৰ ঈশ্বৰৰ মন্দিৰত থকা স্তম্ভ স্বৰূপ কৰিম। তাত তেওঁ আৰু কেতিয়াও বাহিৰলৈ ওলাব নোৱাৰে। "যি জনে জয় কৰে তেওঁক মোৰ সিংহাসনত মোৰ মতে বহিবলৈ দিম, যেনেকৈ মই নিজে জয় কৰি মোৰ পিতৃৰ লগত তেওঁৰ সিংহাসনত বহিলো।" (প্ৰকাশিত বাক্য ২ঃ৭, ১১, ১৭, ২৬ ; ৩ঃ৫, ১২, ২১)

ধনৰ খোলা মোনাই দেখুৱাই দিয়ে তেওঁৰ মাত্ৰ হৃদয়েই নহয় ধনও ঈশ্বৰলৈ উৎসৰ্গা কৰা হয়। পাৰ্থিৱ বস্তুখিনি নষ্ট কৰাৰ পৰিৱৰ্ত্তে তেওঁ দুখীয়া বোৰৰ সহায় কৰে। তেওঁৰ আয়ৰ দশমাংশ দান বা গোটেই সম্পত্তি খিনিকে ঈশ্বৰলৈ দি ঈশ্বৰৰ মহিমাৰ বাবে ব্যৱহাৰ কৰে।

পাওৰুটি আৰু মাছে বুজায় যে তেওঁ চাফ চিকুণ ও সংযমী জীৱন যাপন কৰে। তেওঁ মদ বা তেজ, যি কোনো চেপা দি মৰা, যিকোনো ধৰণে ধপাত চোবাই বা ধূমপাণ কৰি নিজৰ শৰীৰ কলুষিত নকৰে, মাদক দ্ৰব্য বা অনিষ্টকৰ ঔষধ ব্যৱহাৰ নকৰে, কিন্তু সু স্বাস্থ্যৰ বাবে পৰিস্কাৰ আৰু পুষ্টিকৰ খাদ্য খায়। নিজৰ হৃদয় হৈছে প্ৰাৰ্থনাৰ মন্দিৰ, তেওঁ নিতৌ সশ্ৰদ্ধাৰে সকলো ধৰণৰ বতৰ আৰু অৱস্থাত গীৰ্জ্জাৰ উপাসনাত উপস্থিত হয়। তেওঁ প্ৰাৰ্থনা ভাল পায়, এই প্ৰাৰ্থনা ঘৰতেই হওঁক বা পৰিয়ালৰ লগতেই হওঁক, তেওঁৰ অন্তৰৰ মাজতে হওঁক প্ৰাৰ্থনা কৰে, কাৰণ তেওঁ জানে যে প্ৰাৰ্থনাত ঈশ্বৰৰ সংযোগৰ অবিহনে এজন খ্ৰীষ্টিয়ৰ অস্তিত্ব নাই।

খোলা কিতাপে বুজায়, যে বাইবেল তেওঁৰ বাবে এখন খোলা কিতাপ, যাক তেওঁ নিতৌ পঢ়ে, অধ্যয়ন কৰে, জ্ঞান, শক্তি, জীৱন, পোহৰ আৰু অগম্য ধন-সম্পত্তি পায়। ই তেওঁৰ পথৰ বন্তি, এখন তৰোৱাল হয়, যাৰ দ্বাৰা শত্ৰু অতিক্ৰম কৰিব পাৰি। এইটো তেওঁৰ আত্মাৰ দৈনন্দিন আত্মিক আহাৰ, পিয়াহ পলুৱাবলৈ পানী, নিজকে চাফ কৰিবলৈ স্নানাগাৰ আৰু নিজকে চাবৰ বাবে এখন দাপোন।



Copyright ANGP

তেওঁ ক্ৰুচ বহন কৰিবলৈ ভাল পায়, কাৰণ তেওঁ জানে যে ক্ৰুচৰ অবিহনে মুকুট নাই। তেওঁ জানে যে তেওঁ খ্ৰীষ্টৰ সৈতে জীৱনৰ নতুনত্বলৈ পুনৰুত্থান হৈছে। তেওঁ ওপৰৰ চিৰকালৰ নেদেখা বস্তুবোৰ অনুসন্ধান কৰে, তেওঁ ঈশ্বৰক লগ পাবলৈ প্ৰস্তুত আছে, পানীৰ কাষত ৰোৱা গছৰ দৰে যি গছে সময়ে সময়ে ফল উৎপন্ন কৰে; প্ৰকৃত দাক্ষ ডালৰ নিচিনা প্ৰচুৰ ফল উৎপন্ন কৰে। তেওঁ মৃত্যুৰ ভয় কি নাজানে কিয়নো পৱিত্ৰ আত্মাৰ দ্বাৰা পোৱা ঈশ্বৰৰ সম্পূৰ্ণ প্ৰেমে তেওঁৰ হৃদয়ক পূৰ্ণ কৰিছে।

## দশম ছবি

যীশুৱে কলে, ‘মইয়েই পুনৰুত্থানো আৰু মইয়েই জীৱনো ; যি কোনোৱে মোত বিশ্বাস কৰে, তেওঁ মৰিলেও জীৱ আৰু যি জীয়াই থাকি মোত বিশ্বাস কৰে তেওঁ অমৰ। ( যোহন ১১ঃ২৫ঃ২৬ )। যি জনে মোৰ কথা শুনি মোক পঠোৱা জনক বিশ্বাস কৰে, সেইজনৰ অনন্ত জীৱন আছে; তেওঁ সোধ বিচাৰলৈ আহিব নালাগে। কিন্তু মৃত্যুৰ পৰা জীৱনলৈ পাৰ হ'ল।’ ( যোহন ৫ঃ২৪ ) খ্ৰীষ্টিয়ৰ বাবে মৃত্যুয়ে ভয় বা যাতনা দিব নোৱাৰে। জয়ৰ অৰ্থ হ'ল মৃত্যুক গিলি খোৱা, হে মৃত্যু ! তোমাৰ জয় ক'ত ? হে মৃত্যু ! তোমাৰ হুল ক'ত ? কিন্তু ধন্য ঈশ্বৰ, তেওঁ আমাৰ প্ৰভু যীশুখ্ৰীষ্টৰ দ্বাৰাই আমাক দান কৰে। (১ কৰিন্থীয়া ১৫ঃ৫৪-৫৭)

ঈশ্বৰৰ লগত খোজ কাঢ়ি জীৱন যাপন কৰা এজন মানুহে মৃত্যুৰ ভয় নকৰে। ইহলোক শেষ হোৱা মূহুৰ্ত্তত তেওঁ আনন্দৰে যাব যেনেকৈ সাধু পৌলে কয় , “ খ্ৰীষ্টৰ লগত থাকিবলৈ মোৰ ইচ্ছা; কিয়নো সেইয়া অতি অধিক গুণে উত্তম । ” ( ফিলিপীয়া ১ঃ২৩ )

এজন খ্ৰীষ্টিয়ই ক্ৰুচত মৰি তেওঁক পৰিত্ৰাণ দিয়া । যীশুৰ মুখ চাবলৈ হেঁপাহ কৰে। পৱিত্ৰ আত্মাই যীশুৰ কথা তেওঁৰ মনত পেলায়। “ তোমালোকৰ হৃদয় ব্যাকুল নহওক; ঈশ্বৰক বিশ্বাস কৰা আৰু মোতো বিশ্বাস কৰা। মোৰ পিতৃৰ ঘৰত অনেক থকা ঠাই আছে, মই যি ঠাইত থাকো তোমালোকো সেই ঠাইত যেন থাকিবলৈ পাবা। এই আকৌ আহি তোমালোকক মোৰ ওচৰলৈ লৈ যাম। ” ( যোহন

Copyright ANGP

১৪ : ১.৪ ) চকুৱে যি যি নেদেখিলে, কানে যি যি নুশুনিলে আৰু মানুহৰ হৃদয়তো যি যি নোসোমাল, ঈশ্বৰে তেওঁক প্ৰেম কৰোঁতা বিলাকৰ নিমিত্তে সকলো যুগুত কৰিলে। “ ( ১ কৰিন্থীয়া ২:৯) এই পৃথিৱীত আমাৰ প্ৰভু যীশুখ্ৰীষ্টক অনুসৰণ কৰা সকলৰ বাবে প্ৰস্তুত



কৰা স্বৰ্গীয় ঠাই বোৰৰ গৌৰৱ ব্যাখ্যা বা বৰ্ণনা কৰিবলৈ কোনো উপযুক্ত ভাষা নাই ।

ভয়াবহ কঙ্কালৰ সলনি এই শেষ ছবিত দেৱদূত বা ঈশ্বৰৰ দূতক দেখুৱা হৈছে। তেওঁ নিৰ্দোষী আত্মাকে ঈশ্বৰৰ ওচৰলৈ নিবলৈ বৈ

আত্মা আৰু প্ৰাণ মাৰাত্মাক দেহৰ বন্ধনীৰ পৰা মুক্তি দিয়া হল আৰু স্বৰ্গৰ খোলা দুৱাৰেদি ঈশ্বৰৰ বুকুলৈ উঠি গল। যি জনক তেওঁৰ আত্মাই প্ৰেম কৰিছিল যাৰ বাবে এই পৃথিবীত তেওঁ জীয়াই আছিল আৰু মৃত্যু হৈছিল। ঈশ্বৰৰ সাক্ষাতে আনন্দময় আদৰণি তেওঁৰ বাবে অপেক্ষা কৰে য'ত তেওঁৰ প্ৰভূৰ আত্মা গৰাকীৰ দ্বাৰা এইবোৰ প্ৰশংসনীয় কথাৰে অভিবাদন জনোৱা হৈছে। "চাবাইচ, পৰম বিশ্বাসী দাস, তুমি তোমাৰ প্ৰভূৰ আনন্দৰ ভাগী হোৱা" (মথি ২৫:২১)। তেওঁৰ ওপৰত চয়তানৰ কোনো অধিকাৰ নাই, কাৰণ যিহোৱাৰ দৃষ্টিত তেওঁৰ সাধু বিলাকৰ মৃত্যু বহু মূল্যবান। "(গীত মালা ১১৬:১৫)" পাচত মই এই আকাশবাণী মোক উদ্দেশ্য কৰি কোৱা শুনিলো, লিখা এতিয়াৰ পৰা যি বিলাকে প্ৰভূত লীন হয়। সেই মৃত বিলাক ধন্য হয়তো আত্মাই কৈছে, তেওঁ বিলাকে নিজ নিজ পৰিশ্ৰমৰ পৰা জিৰণি পাব, কিয়নো তেওঁ বিলাকৰ কৰ্ম্ম তেওঁ বিলাকৰ অনুগামী" (প্ৰকাশিত বাক্য ১৪:১৩)

## শেষ উপদেশ

প্ৰিয় পাঠক যি তোমাৰ কৰুণা কৰে আৰু তেওঁ তোমাৰ হৈ যি জনে মাত মাতে তেওঁলৈ তোমাৰ হৃদয় অৰ্পণ কৰিবলৈ সহায় কৰে আৰু কয় "হে মোৰ পুত্ৰ, তোমাৰ হৃদয় মোক দিয়া" হিতোপদেশ ২৩:২৬) যীশুক তোমাৰ ক্লান্ত, হতাশ হোৱা বিৰাক্ত হৃদয় দিয়া আৰু তেওঁ তোমাক এটা নতুন হৃদয় আৰু অন্তৰত এটা নতুন প্ৰাণ দিব। অন্তৰৰ ইচ্ছা পূৰাবলৈ তোমাৰ নিজৰ প্ৰৱঞ্চক হৃদয়ৰ দ্বাৰা প্ৰৱঞ্চিত নহবা। কাৰণ যি মানুহে নিজৰ মনত ভৰসা কৰে সি মুৰ্খ; কিন্তু যি মানুহে সজ্ঞানে সৎপথত চলে, তেওঁ ৰক্ষা পায়।" (হিতোপদেশ ২৮:২৬) তোমাৰ পাপ ত্যাগ কৰা আৰু ধৰ্ম্ম নিষ্ঠালৈ মন খেলা। কাৰণ " পাপৰ মূল্য মৃত্যু; কিন্তু ঈশ্বৰে দিয়া বৰ আমাৰ প্ৰভু খ্ৰীষ্ট যীচুৰ দ্বাৰাই দিয়া অনন্ত জীৱন" (ৰোমীয় ৬:২৩)

আৰু তোমালোক যি সকলে ঈশ্বৰলৈ তোমালোকৰ জীৱন সমৰ্পণ কৰিলা, "মোৰ পৰা যি যি শুনিলা তাক নিৰাক্ষয় বাক্যৰ আৰ্হি



Copyright ANCP

বুলি খ্ৰীষ্ট যীচুৰ সমন্ধীয় বিশ্বাস আৰু প্ৰেমত ধাৰণা কৰা । “ (২তীমথি ১ঃ১৩ ) । মই যি জনাক বিশ্বাস কৰিলো তেওঁক জানো; আৰু তেওঁৰ হাতত মই যিহকে গতাই দিলো তাকে তেওঁ যে সেইদিনৰ নিমিত্তে পহৰা দি ৰাখিবৰ সমৰ্থ । ইয়াকে দৃঢ় প্ৰত্যয় কৰিছো “ (২ তীমথি ১ঃ১২) । অতি পৱিত্ৰ বিশ্বাসত নিজকে গঠন কৰা, পৱিত্ৰ বিশ্বাসত নিজকে গঠন কৰা, পৱিত্ৰ আত্মাত প্ৰাৰ্থনা কৰা, ঈশ্বৰৰ প্ৰেমত নিজক ৰাখিবা, আমাৰ প্ৰভু যীশুলৈ চোৱা যি জনেই বাট, সত্য আৰু জীৱন, যি জন সোনকালে আকৌ নিজৰ লবলৈ উভতিব “ ৰজা সকলৰ ৰজা আৰু প্ৰভু সকলৰ প্ৰভু ” ।

“ এতিয়া যি জনাই তোমালোকক নপৰাকৈ ৰক্ষা কৰিবলৈ আৰু তেওঁৰ প্ৰতাপৰ সাক্ষাতে নিস্কলঙ্ক ৰূপে অতি আনন্দেৰে সৈত্যে উপস্থিত কৰিবলৈ সমৰ্থ আৰু আমাৰ প্ৰভু যীশুখৃষ্টৰ দ্বাৰাই, যি জনা আমাৰ ত্ৰাণকৰ্ত্তা সেই একমাত্ৰ ঈশ্বৰৰ গৌৰব, মহিমা পৰাক্ৰম আৰু ক্ষমতা সকলো যুগৰ পূৰ্ব্বেই; এতিয়াও আৰু সকলো যুগলৈকো হওক । আমেন ” ॥ ( যিহুদা ১ঃ২৪, ২৫ )

Copyright ANGP

## A SPECIAL WORD FROM ANGP
## UN MONDE SPÉCIAL DE L'ANGP
## UMA PALAVRA ESPECIAL DA ANGP

**This booklet "The Heart of Man" is available in over 538 languages and dialects spoken throughout the world (Africa, Asia, The Far East, South America, Europe, etc.) Our Heart Book is now also available on cell phones, tablets, etc from www.angp-hb.co.za or as an APP "Heart of Man" on Android phones.**

**Le livre du "Coeur de l'homme" peut etre obtenu en plus de 538 langues et dialectes parles dans le monde entier, a savoir: Afrique, Amerique, Asie, Extreme Orient, Europe. Notre Livre du Coeur est maintenant aussi disponible sur votre Telephone cellular, plaques, etc. de www.angp-hb.co.za ou comme une Application "Heart of Man" sur telephones Android.**

Copyright ANGP

**Este livro "O Coracao do Homem" e obtfdo em mais de 538 linguas e dialectos falados em todo o mundo, a saber: (Africa, Asia, America do Sul, Extremo Oriente, Europa, etc). O nosso Livro O Coração do Homem tambem esta agora disponivel em telefone celular, tablets, etc. de www.angp-hb.co.za ou como um aplicativo "Heart of Man" nos telephones celulares Android.**

**The 10 heart pictures contained in this booklet are also available in the form of large coloured picture charts (86 x 61cm) bound together in a set of 10 pictures. These "Heart Charts" can be obtained with European or African features and are particularly suitable to be used in conjunction with the Heart Book for class-teaching, open air evangelization etc. Kindly contact us to ascertain the latest subsidized price of this chart.**

**Les 10 images du coeur qui figurent dans ce livre peuvent etre obtenues en tableaux de couleur, format 86 x 61 cm, avec des physionomies europeennes ou africaines. Ils peuvent etre utilises en meme temps que le livre du coeur pour des classes bibliques, a**

l'ecole du dimanche ou lors de reunions de plein air. Soyez aimable de nous contacter pour assurer les derniers prix en cours du tableau.

As 10 imagens do coracao, contidas neste livro podem ser obtidas num conjunto de 10 imagens em colorido no tamanho de (86 x 61 cm). Estes "Cartazes do Coracao podem ser obtfdos com caracterfsticas Europeias e Africanas e podem ser usados em conjuncao com o mesmo livro em classes de ensino biblico, evangelizacao ou ao ar livre. Agradeciamos que nos contacta- se para confirmacao do ultimo preco dos cartazes.



Kindly write to us if you are able to assist us with further translations of our free Gospel literature, informing us of the language into which you could translate this Gospel literature. Your assistance would be appreciated.

Copyright ANGP

If you have found salvation in Christ, or have been otherwise blessed through our Gospel literature, please let us know. We would like to thank God with you, and remember you further in our prayers.

Nous vous invitons a nous contacter pour faire des arrangements concernant de nouvelles traductions de notre litterature, nous informant de la langue dans laquelle vous pouvez traduire cette litterature evangelique. Votre aide sera beaucoup appreciee.

Si vous avez trouve le salut en Christ ou si vous avez ete beni par notre litterature, nous vous prions de nous le faire savoir. Nous aimerions remercier Dieu avec vous et prier pour vous.

Nos vos convidamos a nos contactar, afim de fazer qualquer arranjo concernente a novas traducoes de nossa literatura em outras lfnguas. Vossa assistencia sera muito apreciavel.

Se tem encontrado a salvacao em Cristo, ou se tem sido abencoado por intermedio da nossa literatura evangelica, faca o favor de nos

informar. Pois nos gostarfamos de agradecer a Deus juntamente convosco, e lembra-lo sempre em nossas oracoes.

For free Gospel literature, books and tracts in over 538 languages, write to:

Pour obtenir gratuitement de la litterature evangelique, des livres et des traites en plus de 538 langues, ecrivez a:

Para obter gratuftamente a literatura evangelica, livros e folhetos em mais de 538 lfnguas diferentes escreva para:

E-MAIL: info@angp-hb.co.za
info@angp.co.za

ALL NATIONS GOSPEL PUBLISHERS
P.O. Box 2191
PRETORIA
0001
R.S.A.

Copyright ANGP

A Gospel Literature Mission financed by donations
Une Mission de litterature evangelique financee de dons
Missao de literatura Evanqelica financiada por donativos

(Reg. No. 1961/001798/08)